আসাম সম্মিলন

চুটিয়া বুৰঞ্জী।

ডিব্রুগড় নিবাসি।

শ্রীযুত ৰজনীকান্ত বৰদলৈ বি এ

এক্‌ষ্ট্রা এচিষ্টেণ্ট কমিচনাৰৰ

দ্বাৰা

সংশোধিত।

এই সভাৰ সম্পাদক

শ্রীজয়কান্ত বৰুৱাৰ

দ্বাৰা প্ৰকাশিত।

১ম সংস্কৰণ।

শক ১৮৪৭

এই সভা ১৯২৪ চনৰ চত মাহৰ ২৭ তাৰিখে

গোলাঘাট অন্তগত

ঢেকিয়াল গাওঁৰ নপমুৰা গাওঁত স্থাপিত হয়।

স্বাৰ্থত্যাগ কৰি উদগনি দিওতা

আৰু

সকলো কাৰ্য্য কৰোতা

শ্ৰীনাৰায়নচন্দ্ৰ চাৰিঙ্গীয়া বৰুৱা

সহকাৰি সম্পাদক।

ধলরসত্র যদুমণী প্রেছত

শ্রীনরনাথ গোস্বামীর দ্বারা ছপা করা হল।

জাতীয় খেদ।

কেনে কয় হেৰা চুতীয়াৰ ৰজা নাইকিয়া পৃথিৱীত আৰু ।
কিয় কান্দা আজি হিয়া বিদৰাই হোজা অসমীয়া বাৰু ॥
অনাথ সন্তানে পিতৃ বিয়োগত যেন ধৈৰ্য্য হেৰুৱাই ।
সাহিত্য বনত কান্দে চকু মুদি অবলা চুতীয়াই ॥
কিন্তু এইবাৰ জ্ঞান পাই চকু মেলি বনত বিচাৰি চালে ।
হৃদয় আকাশ পোহৰাই কেনে পূৰ্ণ চুতীয়া জাতি জ্বলে ।
আগেয়ে আছিল চুটীয়া জাতি ক্ষত্ৰীয় কুলত ॥
কিন্তু এতিয়া হল ক্ৰমে বলহিন গতিক পৰিল তলত ॥
এতিয়া আহক সকলোতিয়ে মিলি জুলি পুনৰ ক্ষত্ৰীয় কুল উবাও ।
দেৱ ধৰমেৰে এতিয়া সোনাই জগত জিলিকা হও ॥
সৌৱা চোৱা জগতত একেটি চন্দ্ৰক এখনি আকাশে ধৰে ।
মৰ্ত্ত্য জগতত কোটি চুতীয়াই কোটি হিয়া শোভা কৰে ॥
অনিত্য সংসাৰ কালৰ সোঁতত বিয়পি নেদেখা হয় ।
অমৰ আত্মা বাজলৈ ওলালে নশ্বৰ দেহাৰ ক্ষয় ॥
এনে ধৰমত বদ্ধ থকা নৰ তুমি কি বুজিবা হায় ।
মহাত্ম চুতীয়া ক্ষত্ৰীয় জাতৰ অমৰত্ব লাভ মৰিহে অমৰ হয় ॥

শ্ৰীজয়কান্ত বৰুৱা ।

জন্মভূমি বন্দন ।

[illegible]লো দরে বুকু পাতি হে মাতৃ ধরনি ।
[illegible]খিছা সবারো তার জীব জন্তু যত ॥
[illegible]ক্তিময়ী ধৈর্য্যশীলা সবারো জননী
[illegible]লিছা সবাকো তুমি মাতৃ মরমত ॥
[illegible]নিছে মাতৃ বুকত কতবা তোমার ।
[illegible]জিম জীবিকার বুলি মানুহে সদায় ॥
[illegible]দন বদন শষ্য জীবর উপাই ।
[illegible] মুত এরে কত অবুদ্ধ সন্তানে ॥
[illegible]দিনি হে মাতৃ তাক বুকু পাতি লোৱা ।
[illegible] লাঞ্ছনা কত করে মানুহে ॥
[illegible] সমস্ত তুমি অকনি নোলেখা ।
[illegible] সকলি বাকু ক্ষমা কর মাত ॥
[illegible] আদ্ধার মাতৃ পৃথিবীত জন্মে ।
[illegible] মানুহর থাকু নাটনি জ্ঞানত ।
[illegible] পাহরে এনে অঁহি কোন লাজত

শ্রীজয়কান্ত বরুৱা ।

জাতিকুল ধ্বংস।

কমলে বিছুৰি মন কত ৰাম নাম।
ভাৰত বৰিষে মানৱী তনু পাইয়া॥
মোৰে নাহি তনু মানৱী পাই।
জনম চিন্তামণি হাতে হেৰাই।
জানি ৰাম চৰণে কৰো আশ।
কহন্ত মাধৱ হৰি দাসক দাস॥

যেহি মতে হৰে স্ত্রী ৰূপ দেখিবাক লাগি।
মাধৱৰ পাশক গৈলন্ত শংকৰ পাৰ্ব্বতি॥
স্ত্রী বেশে যেহিমতে শংকৰৰ কৰিলন্ত মোহাচ্ছন।
সেহিমতে ছুতীয়াৰ ক্ষেত্র কুল হৰিলন্ত জ্ঞান॥
পতিকে ছুতীয়া জাতী ক্ৰমে গল অধঃপতনে।
পাপৰ উদ্ধাৰ নোহৰা কৰি ছুতীয়া দলে অহংম পাই॥
অৱশিষ্ট একমাই থলে গোটেই আসামত।
আৰু কৰিব নুৱাৰে কুলৰ, কাম পুনৰ সংগ্ৰহ॥
পতিকে দেখাকিল ছুতীয়াৰ প্ৰত্যক্ষি বল।

শ্ৰীমৃত্যুঞ্জয়কান্ত বৰুৱা।

স্বজাতির প্রেম শক্তি।

জাতি ক্ষুদ্র নাম ততি ক্ষুদ্র প্রান অলপে উঠিব পারে
একতি ফুলত মউকবে পান দিনেকর তোক মারে ॥
তথাপিতো কিয় মউ মাখি জিয় বনত বলিয়া কেনে।
উঠিয়ে পুবাতে কর্ত্তব্য কর্ম্মক ধরে এলাহ নাজানে অকন ॥
দুখে করে গুন গুন সব্দ মাত্র মনত নিচিন্তে আন।
গোটেই দিনতো ঘুরিয়ে ফুরিব আনত কর্ত্তব্য জ্ঞান ॥
নাজানে আগর নলাগে আমনি সাধোতে জাতির কাম।
স্বজাতির কামত সদাই উৎসাহিত সরল প্রেমিক প্রান ॥
নিজ জাতী ভাই মিলি বচে কিনু দরে বিত্তোপন মউ চাক।
বিজ্ঞশিল্পী জনে নতশিরে বোলে অপূর্ব্ব কৌশলর কাম ॥
কতনা যতনে আনি ফুলর রথ পাতেহি এটি রহঘরা।
কতনা প্রানীর তোষে মন প্রান জনিবা আপোনি মরা ॥
ক্ষুদ্র স্বার্থে মজি পর স্বার্থে সাধে নিস্বার্থ প্রেমিক জানা।
নর শ্রেষ্ঠমাজে আছে সেইজনা ইহেন উন্নতির কামনা ॥
কাজে কামে জেনে জিরনিতে তেওঁন জাতীয় প্রেমত বান্ধ।
জাক পাতি আছি জিরনিয়া মউ বাঢ়েহি এটা জাক।
কনেকু ঈশ্বর এনে জাতীভাব থাকিলে এউ মাখি প্রানে।
দিব্ব ভক্ত জনে হে জানে তেওঁর মহিমা বাখানে নিরলে ধ্যানে।

শ্রীজয়কান্ত বরুৱা।

ওঁ নমো ভগৱতে বাসুদেবায় ।

✻চুটিয়া সম্মিলনী✻

অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙ্গৰীয়া আৰু
চুতীয়া ৰাইজ সকল ।

আপোনালোকে আজি সমূহ চুতীয়া ৰাইজে গোট খাই সভা পাতি মোক সভাপতি বৰণ কৰিছে। আপোনালোকে নিজৰ ভিতৰতে এজনক লৈয়ো এই সভা সুকলমে কৰিব পাৰিলে হেতেন, তেনে হলত যে মোক এই সভাৰ সভাপতি বৰণ কৰিলে ইয়াৰ কাৰন যিমান দুৰ মই জানিব পাৰিছোঁ আপোনালোকৰ মোৰ প্ৰতি এটা আন্তৰিক ভক্তি আৰু মৰম এইটো বৈজ্ঞানিক সত্য যে অকপট সহানুভুতিয়ে সহানুভুতি মৰমে মৰম, ঘৃনাই ঘৃনা আকৰ্ষন কৰে। মই অন্তৰেৰে সৈতে মোৰ অসম জননীৰ সন্তান সকলো জাতৰে, সকলো শ্ৰেনীৰ ভাতৃ বৃন্দক ভাল পাওঁ। সকলো জাতৰে, সকলো শ্ৰেনীৰ ৰাইজৰ উন্নতিতে মোৰ উন্নতি বুলি ভাবোঁ। বোধ কৰোঁ আপোনা সকলৰ অনেকেই মোৰ এই ...নটো জানে

তদুপরি এই দিনকেই ত্রয়োদশ বছরর বাবে প্ৰথমেই আমাৰ আপোনাসকলৰ পূৰ্ব্ব গৌৰব পৰিপূৰ্ণ বৃত্তান্ত প্ৰকাশ কৰি অসমীয়া ৰাইজক জনাইছো। যে আমাৰ চুতীয়া জাতিটো আগৰ সেই ক্ষত্ৰিয় ৰজা ভীষ্মকৰে বংশধৰ। এই কিতাপৰ উপৰিও এবাৰত এই গোলাঘাটত হাকিমি, আৰু তাৰ পিছত ৰিছেটেল্‌মেণ্টত কাম কৰা বাবে অনেক বুঢ়াই মোক জানে চিনে, সেই বাবেও বোধ কৰো মোক আপোনাসকলে এই আজিৰ সভাৰ সভাপতি পাতি মোক মোৰ এই পুৰণি চিনাকি ঠাইলৈ মাতি আনিছে। মোক এই শ্ৰদ্ধা দেখুৱাই নিমন্ত্ৰণ কৰি অনাৰ বাবে মই আপোনালোকক অন্তৰেৰে সৈতে ধন্যবাদ দিলোঁ।

সভা সমিতীৰ সভাপতি হলে পূৰ্ব্বপৰ ৰীতি অনুসৰি এখান ভাল ৰচনা পাঠ কৰিব লাগে বা এটা সাৰৰা বক্তৃতা দিব লাগে। আপোনালোকৰ অনেকেই হয়তো মোৰ পৰা ভাল ৰচনা এখান বক্তৃতা এটা পাবলৈ আশা কৰিছে, কিন্তু সেই বিষয়ে মই এই নিশ্চিতে কই থও যে আপোনালোক কিজানি নিৰাশ হব ইয়াৰ কাৰণ হৈছে মই দুয়োটা বিষয়তে অপাৰগ। মোৰ গোটেইটো কৰ্ম্ম জীৱন ৰজাঘৰীয়া কাম কৰোতে গল। যদিও আনৰ বক্তৃতা ধেৰ শুনিলো।

তথাপি নিজে সভা সমিতিত উঠি বক্তৃতা দি বাক্ শক্তি বঢ়াবলৈ কোনো সুবিধা নাপালো। ৰচনা আদি কৰা বিষয়ে সেয়ে হল। এতিয়া এইবুঢ়া বয়সত বিষয়ৰ চিন্তাত পৰি মগজু একেবাৰে অসাৰ হ'ল যে শুনিবলৈ সুললিত অলঙ্কাৰে, উপমাই উৎপ্ৰেক্ষাইভৰা শ্ৰুতি মধুৰ ভাষা ওলাব নোখোজে। আপোনা সকলে আগ্ৰহ কৰি নিমন্ত্ৰণ কৰা বাবেহে এই দুখিয়াই দুখী অন্তৰেৰে আপোনালোকৰ আগত ওলাইছোঁহি। আশাকৰোঁ আপোনাসকলে এই বৃদ্ধৰ হীন দোষ সমস্তকে ক্ষমা কৰিব। আমাৰ এই অসম দেশ খান যেনেকৈ প্ৰকৃতিৰ কাম্য-কানন, সুজলা, সুফলা সেইদৰে বুৰঞ্জীৰেও ভৰা মহাভাৰতৰ কালৰ পৰা বৰ্ত্তমান সময়লৈকে এই অসমত কত জাতিৰ অভ্যুদয় আৰু পতন হল তাৰ লেখ জোখ বুৰঞ্জীত এফেৰা ৰূপ থকা মানুহ মাত্ৰেই জানে। মহাভাৰতৰ সময়ত এই অসমৰ নামনি খণ্ডত ভগদত্তে মাজ খণ্ডত বাণে আৰু উজনীখণ্ডত ভীষ্মকে ৰাজত্ব কৰিছিল। মহাভাৰতৰ সেই ৫০০০ পাঁচ হেজাৰ আগৰ বছৰৰ আগলৈকে ভাৰতৰ আন আন প্ৰদেশৰ দৰে, অসমৰ বুৰঞ্জীও এন্ধাৰেৰে ঢকা। পাণ্ডৱ সকলৰ মহা প্ৰস্থানৰ কালৰে পৰা, অথবা ভাৰতৰ মহাযুদ্ধ হৈ যাবৰে পৰা ভাৰত বীৰ শূন্য হৈ যি এন্ধাৰত পৰিল সেই এন্ধাৰ আজি প্ৰায় ২হেজাৰ বছৰৰ ওপৰলৈকে আছিল। প্ৰভু

তান্ত্বিক সকলে এই ৪০০০ হেজার বছরৰ এন্ধার যুগটোর বুরঞ্জী উলিয়াবলৈ লাগি পরি আছে।

অসমলৈ আহোম সকল অহার আগেয়ে আমি আমার অসমত তিনটা জাতিয়ে রাজত্ব কৰা কথা পাওঁ। সদিয়াকে ৰাজধানী পাতি উজনী অসমত চুতিয়া সকলে রাজত্ব কৰিছিল। মধ্য ডিমাপুরক ৰাজধানী পাতি কছারী সকলে রাজত্ব করিছিল। ভাটী অসমর এক খণ্ড কমতাপুর রাজ্যর সামিল আছিল আরু একখণ্ড কোচ বিহারৰ কোচ রজা সকলৰ অধীনত আছিল। একখণ্ড অর্থাৎ শিৱসাগরর ফালে পাল বংশী হিন্দু ক্ষত্রিয়া রজার শাসনত থকাও পাওঁ। আজি আমি উজনি খণ্ডর চুতীয়া রাজত্বর বিষয়ে রাইজ সকলক জনাবলৈ ওলালোঁ।

চুতীয়া সকলর ভিতরত হাতে লিখা কোনো সাচি পাতিয়া বুরঞ্জী পুথি আছেনে নাই কব নোৱারোঁ। কর্ণেল ডালটনে চুতীয়া সকলর আদি বিবরন যি দরে দিছে আমি সেইটোকে জনজনতে শুনাই আমাৰ হিন্দু সকলর মতে চুতীয়া সকল কি, কোন জাতৰ মানুহ এই বিষয়ে জনাম।

চুটিয়া সকলর উৎপত্তি।

কর্ণেল ডালটনে কয় যে "চুতীয়া সকলর আদি বাস স্থান নোৱাশিরী নৈর উৎপত্তি স্থলত অথবা পর্ব্বতৰ

ওপৰত সোৱনশিৰী নৈৰ দাঁতিত আছিল। মিৰি আৰু আবৰ সকলৰ দৰে চুতীয়া সকলেও বৰ ওখ ওখ পাহাৰৰ ওপৰত ডাঙ্গৰ গাওঁ পাতি বাস কৰিছিল। কোনো গাঁও বা কোনো খনেই সেনৰ বশ্যতা স্বীকাৰ নকৰিছিল। তেওলোকৰ প্ৰথমতে ৰজাও নাছিল। প্ৰত্যেক মানুহেই স্বাধীন আছিল।

স্বৰ্ণগিৰি নামেৰে এখন গাৱঁৰ বিবৰ নামেৰে এজন চুতীয়া মানুহে ৰাতি সমাজিকত দেখিলে কুবেৰে হেনো তেওক কৈছিল, "ঘৈণীয়েৰে সৈতে মিলহ"। এই দৰে হাই কাজিয়া কৰি নাথাকিবি কাৰন তোৰ ঐ ৰমে মাইৰ গৰ্ভত এটা সন্তান হব আৰু এই সন্তানটোৱে তহতৰ জাতি টোকে উজ্জ্বল কৰিব। সেই জোপা গছৰ তলত খানিলে তই বহুধন পাবি। সেই ধন তই সাৱধানে ৰাখি খৰচ কৰিবি।

বিবৰে নাৰ পাই সমাজিকত দেখা মতে কাম কৰিলে ঘৈণিয়েকে সৈতে মিল হ'ল। গছৰ তলখান খানি এখান তবোৱাল, এপাত জাঠি আৰু জাঠিপাতৰ তলত এটা সোনৰ বিড়ালি পালে এইবিলাক ঘৰলৈ নিলে আৰু নৈমিত্তিক ৰূপে পূজা কৰিবলৈ ধৰিলে। তাৰ ফলত বিবৰ নিজ জাত কুলৰ ভিতৰত দিনক দিনে ক্ষমতা শালী হৈ উঠিল। যথা সময়ত বিবৰৰ পত্নী ৰূপৱতী দেবীয়ে এটী সুন্দৰ পুত্ৰ প্ৰসব কৰিলে। সেই

পুত্ৰটি সৰুৰ পৰা সাহিয়াল, উৎসাহী আৰু বলৱান হ'ল, আৰু সেই কালতে তেওঁ চিকাৰত, ধনুৰ্ব্বান চলোৱাত সকলোৰে নেতা হৈ থাকিছিল। দিনক দিনে এই কুমাৰ যেতিকে ডাঙৰ হ'ল তেতিকে প্ৰথমতে তেওঁৰ নিজৰ গাঁৱৰ সকলো লোক মানুহেই তেওঁক নেতা বা ৰজা বুলি স্বীকাৰ কৰিলে, তাৰ পিছত ক্ৰমে ক্ৰমে তেওঁ পৰ্ব্বতত থকা আন আন গাওঁ লোককে নিজ বশলৈ আনি ৰজা নাম ললে। ইয়াৰ পিছত কুমাৰে অসংখ্য সৈন্য সামন্ত লৈ পৰ্ব্বতৰ পৰা ব্ৰহ্মপুত্ৰৰ ভৈয়ামত নামি ভদ্ৰসেন নামে ৰজা এজনক আক্ৰমন কৰি যুদ্ধত ঘটুৱাই তেৰ ধন-বিত পালে, তাৰ পিছত এটা দুৰ্গ সাজি সেই দুৰ্গৰ নাম ৰত্নপুৰ থলে। ইয়াতে তেওঁ যুদ্ধত পোৱা ধন সোন ৰাখিলে। তেওঁ যি সময়ত ৰত্নপুৰত ৰাজত্ব কৰিছিল, সেই সময়ত কমতাপুৰত এজন ৰজা আছিল, আৰু গৌড় দেশত এজন হিন্দু ৰজাই ৰাজত্ব কৰিছিল। সেই কাৰণে তেওঁৰ এই বিজয় খৃষ্টাব্দ ১২০৪ সনৰ আগেয়ে হৈছিল। সদিয়াৰ পূব উত্তৰ কোণত কিছু দুৰ্গ আৰু প্ৰাচীৰৰ ধ্বংসাৱশেষ অজিকালি দেখা যায়। সেই দুৰ্গ আৰু প্ৰাচীৰ সম্ভৱতঃ এই বংশজ ৰজাই কৰোৱা।

ছুটীয়া আৰু পালবংশী ৰজাৰ সঙ্ঘৰ্ষ।

ইয়াৰ পিছত ৰত্নধজ ৰজাই পশ্চিমৰ ফাললৈ দিগ্বিজয় কৰিবলৈ গৈ প্ৰথমতে ন্যায়পাল নামেৰে ৰজাৰ ৰাজ্য আক্ৰমণ কৰিলে। এই ন্যায়পাল সম্ভৱতঃ সেই সময়ৰ ৰংপুৰৰ ফালৰ ক্ষত্ৰিয় পালবংশী ৰজা এজন আছিল। ন্যায়পালে ৰত্নধজৰ বল বিক্ৰমৰ কথা শুনি আৰু অপৰিমিত যুজাৰু সেনা দেখি অলপ যুজৰ পিছতে ভয় খাই ভাৰ ভেটী দি নিজৰ জীয়েকক ৰত্নধজলৈ বিয়া দিয়াত ৰত্নধজ যুদ্ধ এৰি নিজ ৰাজ্যলৈ উলটিল। ন্যায় পালক পৰাস্ত কৰি ৰত্নধজ নিজৰ নামৰ পিছত পাল উপাধিটোও গ্ৰহণ কৰিলে আৰু নিজৰ অপৰ নাম গৌড় নাৰায়ণ ললে। ন্যায়পালৰ জীয়েকক বিয়া কৰাই ৰত্ন ধজ নিজ ৰাজ্য ৰত্নপুৰলৈ আহিল আৰু ইয়াৰ পিছৰ পৰা তেওঁ যুদ্ধ বিগ্ৰহ নকৰি ৰাজ্যৰ উন্নতি কৰিবলৈ ধৰিলে। তেওঁ পৰ্ব্বতৰ দাঁতিয়ে দাঁতিয়ে দুগ কৰিলে ডাঙৰ ডাঙৰ পুখুৰি খনালে। মঠ মন্দিৰ তৈয়াৰ কৰালে। সদিয়াৰ পুখুৰীবিলাকৰ ভালেমান এই ৰত্ন ধজে কৰোৱা। ৰত্নধজে ইয়াৰ পিছত তেওঁৰ পুতেক বীজয়ধজলৈ কমতেশ্বৰৰ ৰজা নীলধজলৈ জীয়াৰী এজনী খোজাত নীলধজে জীয়াৰী নিদি কটকীক অপমান কৰি

পঠোযাত বত্নধজে তৎক্ষনাৎ সৈন্য গাটাই কমতাপুৰ আক্রমন কৰিবলৈ গ'ল। তেওঁ তেওঁৰ আগে আগে এটা আলি তৈয়াৰ কৰি গৈছিল, সেই আলিৰ দাতিৰে দাতিয়ে ঠায়ে ঠায়ে দূৰ্গও সাজি গইছিল। কমতেশ্বৰে তেওঁৰ আশ্চৰ্য্য ক্ষমতা আৰু বল বিক্রমৰ সম্বাদ পাই যুদ্ধ নধৰি ভযতে তেওঁৰ সৰ্ব্বাঙ্গ সুন্দৰী জীয়েক এজনী দিলে। রত্নধজে পুতেকৰ নিমিত্তে এই জীয়ৰীজনী আৰু কমতেশ্বৰৰ ক্ষমা প্রাৰ্থনা গ্রহন কৰি যুদ্ধৰ পৰা ক্ষান্ত হল। ত্রই যুদ্ধ যাত্রাতে রত্নধজ গৌৰেশ্বৰৰ লগত কিছু দিন থাকি তেওঁৰে সৈতে সন্ধি পাতিলে। তেওঁ নিজ ৰাজ্যলৈ উলতিবৰ সময়ত তেওঁৰ পুত্র এজনক শিক্ষাৰ্থে গৌৰেশ্বৰৰ ত্রাত থৈ আহিল। গৌৰেশ্বৰ আৰু বত্নধজৰ ভিতৰত এনেকুৱা মিত্রতা হৈছিল যে গৌৰেশ্বৰে বত্নধজলৈ মাজে মাজে অসংখ্য কলহত গঙ্গাজল পঠাইছিল আৰু রত্নধজেও কলহে কলহে গৌৰেশ্বৰলৈ পৰশুৰাম কুণ্ডৰ পানী পঠাই আছিল। দৈবৰ দুৰ্ব্বিপাকত গৌৰেশ্বৰ তাতে চুতিয়া ৰাজকুমাৰ বেমাৰত পৰি পৰলোক প্রাপ্ত হল। গৌৰেশ্বৰে কুমাৰৰ শৰটো বাপেকলৈ পঠাই দিলে। সেই সময়ত রত্নধজে এখান নতুন নগৰ নিৰ্ম্মান কৰাত লাগি আছিল। সেই নতুন নগৰতে পুতেকৰ শৱটো পাই পুতেকৰ স্মৃতিৰ অৰ্থে নগৰখানৰ নাম থলে শদিয়া। এরে

হৈছে চুতীয়া রজার অভ্যুদয় কাল।

রত্নধ্বজ পালর দিনরে পরা চুতীয়া রজা নীতিপালর সময়লৈকে এই সকল চুতীয়া রজাই রাজত্ব করিছিল।

১। রত্নধ্বজ পাল অপর নাম গৌরী নারায়ণ খৃ, ১১৬৪ পরা ১২২৩ লৈকে ৫৯ বছর রাজত্ব কাল।

২। বিজয়ধ্বজ পাল অপর নাম শিৱনারায়ণ খৃঁ ১২২৩ পরা ১৩ ১ লৈকে ৭৮ বছর রাজত্ব কাল।

৩। বিক্রমধ্বজ পাল অপর নাম জগৎ নারায়ণ খৃ, ১৩ ১ পরা ১৩২ লৈকে, ১৯ বছর রাজত্ব কাল।

৪। গুরুধ্বজ পাল অপর নাম প্রমত্ত নারায়ণ ১৩২১ পরা ১৩৯৯ লৈকে ৭৮ বছর রাজত্ব কাল।

৫। হংসধ্বজ পাল অপর নাম হরি নারায়ন ১৪ ০ পরা ১৪৪৪ লৈকে ৪৪ বছর রাজত্ব কাল।

৬। ময়ূরাধ্বজ পাল অপর নাম গোলোক নাৰায়ণ ১৪৪৪ ১৪৮৮ লৈকে ৪৪ বছর রাজত্ব কাল।

৭। জয়ধ্বজ পাল অপর নাম ব্রজ নারায়ণ পাল ১৪৮৮ পরা ১৫২৯ লৈকে ৪১ বছর রাজত্ব কাল।

৮। কৰ্ম্মধ্বজ পাল অপৰ নাম সত্য নারায়ণ ১৫৩ পরা

৯। ধৰ্ম্মধ্বজ পাল অপর নাম ধীর নারায়ণ ১৫৭৭ পরা ১৬৩১ লৈকে ৫৪ বছর রাজত্ব কাল।

১ নীতিপাল অপর নাম সাধক নারায়ন ১৬৩১ পরা ১৬৭৩ লৈকে ৪২ বছর রাজত্ব কাল।

এই লিষ্ট খব শ্রুদ্ধ নহব অম্ভতঃ ছুতিয়া সকলব আহোমব হাতত পবাস্ত হোৱাব সময়লৈকে ১০ বছবর হেব কেৰ দেখা যায়।

ধৰ্ম্মধজ পাললৈকে ছুতিয়ার বজা সকল বাপেকব পরা পুতেক রজা হৈছিল। ধৰ্ম্মধজ পলব পুত্ৰ সন্তান জন্ম নাছিল। তেওঁ ঈশ্বর সেৱা ঈশ্বৰত ভুতি ভক্তি কৰোঁতে বুঢ়া কালত তেওঁ সাধনী নামেরে একজনী কন্যাহে পালে। এই সাধনীক অনেক ৰাজকুমাৰে বিয়া কৰাবলৈ বিচাৰিছিল। কিন্তু কাক দিব এইটো বাপেকে স্থিব কবিব নোৱাৰিলে। অৱশেষত এদিন এটা কেৰ্কে টুৱা দেখি রজাই স্থিব কবিলে যে যেয়ে সেই সোণর কেৰ্কেটুৱাটো একেপাত শৰে মাৰিলৈ বগৰাই আনিব পাৰিব তাকে তেওঁ সাধনীক বিয়া দিব। এজা নাম লোহোর সধাৰণ ছুতীয়া ডেকাই একেপাত সরে সেই কেৰ্কেটুৱাটো মাতিত বগৰাই, সাধনীক বিয়া কৰাবলৈ লোণ প্ৰথমতে সম্মত নহৈছিল, কিন্তু বেতিয়া বাপেকে তেওঁর ৰাজা জীয়েক জেৱায়েকক এবি দিওঁ বুলিলে তেতিয়াহে সাধনী রিয়া লোমাল। বাপেকে নিজ প্ৰতি শ্ৰুতি মতে বাজ্য এরি দিলে আৰু কুঁবেব দত্ত বস্তু বিলাকো দিলে। সাধনীর সোণর বিরালী থকা বকচটো মেলি চাই দেখিলে সোণব বিবালীটো নাই। তেওঁ ভাত পানী এৰিলে আৰু গিরিয়েকে আন এটা সোণর

বিড়ালী গড়ি দিয়াতহে শান্ত হল ।

দেউৰী সকলৰ মতে সাধনীয়ে যে ছুতীয়া ডেকাক বিয়া কৰাবলৈ অস্বিকাৰ কৰিছিল, ইয়াৰ কাৰণ ডেকাৰ গাত খৰ আছিল আৰু বাপেকে সেইজা। ডেকাকে ৰাজা গতাওঁ তেহে সাধনীয়েঁও তেওঁত বিয়া সোমাবলৈ সন্মত হৈছিল । দেউৰী সকলে এইজনা বজাক খৰে খেৰা বজা বোলে। আমাৰ অসমীয়া ভাষাত এটা ফকৰা আছে । সেইটো এই,

সাধোতে সাধোতে সাধনীক পালে । সাধনীক দিবলৈ দৰা নাপালে।" সাধনীৰ গিৰিয়েকে নীতিপাল নামলৈ ৰাজ্য শাসন কৰিবলৈ ধৰিলে । তেওঁৰ শাসন এনেদুৰা বেয়া হৈছিল যে প্ৰজাসকলে তেওঁৰ নাম অনীতি পাল থৈছিল ।

আহোম আৰু ছুটিয়াৰ সংঘৰ্ষ ।

আহোম সকলে যেতিয়া পাটকাইৰ পৰা সমথললৈ নামিছিল সেই সময়ত গড় গাৱঁত এজন ছুতীয়া ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজ্যৰ সীমা আছিল, পূবে শদিয়া, উত্তৰে দৰং, দক্ষিণে পাটকাই। আহোমে প্ৰথমতে মৰাণ আৰু বৰাহী নামৰ দুই জাতৰ লগত ৰণবিগ্ৰহ

কৰি মৰাণ আৰু বৰাহী ৰাজ্য কাঢ়ি ললে। ইয়াৰ পিছত চুতীয়া সকলে সৈতে লেল পেল যুঁজ আৰম্ভ কৰিলে। খ্ৰীঃ ১৩৭৬ শকত চুতীয়া ৰজা গুৰুধ্বজ পাল বা প্ৰমত্ত নাৰায়ণে আহোম ৰজা চুতুফাক সাফ্ৰাই সৈতে খেল নাও খেলিবলৈ মাতি নি অন্যায় ৰূপে হত্যা কৰে। ইয়াৰ ২২৫ বছৰৰ পিছত আহোমৰে চুতীয়াৰে নি ৰণ হয় সেই ৰণত শত্ৰুৰ আৰু জোৱাঁই অৰ্থাৎ ধৰ্ম্মধ্বজ আৰু নীতিপাল ভয়ে হত হয়।

আহোম ৰজা চুহুম্মুঙে চুতীয়াৰ ৰজা আৰু জোৱাঁয়েক নীতিপাল উভয়ৰ মুৰ দুটা কাটি তেওঁৰ চৌমদেউৰ মন্দিৰৰ ওপৰলৈ উঠা খটখটিৰ তলত পুতি থলে। আহোম ৰজাই নীতিপালৰ পুত্ৰ সাধক নাৰায়নক আমাৰি পূবে ৰোটা পশ্চিমে ধনশিৰি উত্তৰে কুবেৰৰ আলী দক্ষিনে ব্ৰহ্মপুত্ৰ এইখিও দেশত ১২বাৰহৰ পাইকেৰে সৈতে থাপি লে সাধিক নাৰায়নে বছৰি আহোম ৰজাক ২তোলা সোণ ৮ টকা ৰূপ ৪০ খান থম্বা কৰ স্বৰূপে দিবলৈ গাত ললে। চুতীয়া ৰজাৰ পাত্ৰ মিত্ৰ মন্ত্ৰি যেই সকলকো আহোম ৰজাই ঠায়ে ঠাঁয়ে থলে। ১৭ শ খৃষ্টাব্দত চুতীয়াৰ ৰাজ্য আৰু শদিয়া চুতীয়াৰ হাতৰ পৰা সৰকি আহোমৰ হস্তগত হয়। প্ৰবাদ আছে যে চুতীয়াৰ ৰাজকন্যা সাধনীয়ে আহোমৰ হাতত পৰা তকৈ মৃত্যুয়েই শ্ৰেয়ঃ মানি আত্ম হত্যা কৰিলে।

দেউৰী সকলৰ মাজত প্ৰবাদ আছে যে চুতীয়া ৰজাৰ জীৱনটো চুতীয়া ৰজাৰ মাকৰ চুলি ডাৰত নিবদ্ধ আছিল। সেই কাৰনেই আহোমে ৩০০ বছৰেও চুতীয়াক বলে পৰা নাছিল কিন্তু যেতিয়া চুতীয়া ৰজা নীতি পাল অত্যন্ত গৰ্ব্বী হৈ উঠিল, প্ৰজাক উৎপীড়ন কৰিবলৈ ধৰিলে আকাশ পাতাল একোকে নগনা হল, তেতিয়া দেৱতা সকলৰ তেওঁৰ ওপৰত খং উঠিল আৰু তাৰ ফলত ৰজা চুতীয়া দেউৰীয়ে মনে মনে আহোমৰ ফলীয়া হৈ ৰজাৰ মাকৰ চকুত নজনাকৈ ধূলা পেলাই দিলে আৰু সেই ধূলা গুচাই দিওঁ বুলি ছলেৰে ৰজাৰ মাকৰ চুলি... কাটিলে। চুলিকটা মাত্ৰে ৰজাৰ আয়ুক্ষীণ হল আৰু দেউৰীয়ে পিছত ৰজাক গুপ্তহত্যা কৰিলে।

চুতীয়াসকলৰ মাজত প্ৰবাদ আছে যে চুতীয়া ৰজাই ...নতো চৰাই দেউ শালত গোসানী পূজা কৰি থকাৰ নিমিত্তে আহোম ৰজাই চুতীয়া ৰজাক কোনো ৰকমে বলে নোৱাৰি শেহত আহোম ৰজায়ো মনে মনে সেই চৰাই দেউ শালত গোসাঁনীক পূজি গোসাঁনীৰ পৰা বৰ লৈহে চুতীয়াক পৰাস্ত কৰিব পাৰিছিল।

দৰঙ্গ ৰজাৰ বংশাৱলীমতে আহোম ৰজালৈ হেনো চুতীয়া ৰজাৰ জীয়াৰী একজনীক বিয়া দিছিল। সেই জনী জীয়াৰীয়ে গিৰিয়েকৰ ফুচুলনিত বাপেকৰ পৰা সোণৰ বিড়ালীটো চুৰকৰি নি গিৰিয়েকক দিলে। চুতীয়া ৰজাৰ

হুস্তুং পৰা সোণৰ বিড়ালীটো আহোমৰ হাতত পৰাত চুতীয়া ৰজাৰ শ্ৰীহীন হৈ আহোমৰ হাতত পৰাত হল। এবং ৰজাৰ বংশাৱলীত এই দৰে পদ্য আছে।

পূৰ্ব্বে চুতীয়া ৰাজা আছিল।
অন্যায়ে অসম ছল কৰিয়া মাৰিল॥
যিমতে মৰিল তাৰ শুনিও কাহিনি।
ৰবে নপাৰিবা স্বৰ্গী ৰজা মনে গুনি॥৩৬৪
ৰজাৰ কন্যাক বিহাইলন্ত মিত্ৰ কৰি।
ৰাজায়ো দিলন্ত কন্যা তাহাক সাদৰি॥
এক দিনা কন্যাত পুচন্ত স্বৰ্গীদেৱ।
তোমাৰ পিতৃক বলে নপাৰন্ত কেৱ॥৩৬৫
কিবা হেতু নপাৰে কহিয়ো প্ৰাণেশ্বৰী।
হেন শুনি কন্যা বাক্য বুলিলা সাদৰি॥
আমাৰ পিতৃৰ ঘৰে আছে এক জন্তু।
সোণৰ বিড়ালী তাৰ শুনিয়োক হেতু॥৩৬৬
তাকে পূজা কৰি যদি ৰণক চলয়।
সৰশ্ৰেকে লিটো ৰণ নৃপতি জিনয়॥
হেন শুনি অসম ৰজায়ে বুলিলন্ত।
মোক প্ৰতি স্নেহ তযু কতেক আছন্ত॥৩৬৭
কিবা মোত দয়া কিবা শত্ৰুত চাৰ।
ঝাটে কহা প্ৰানেশ্বৰী আগত আমাৰ॥
কন্যা বোলে তুমি মোৰ সমস্ততে কৰি।

হেন শুনি রাজা বাক্য বুলিলা সাদরি ।৩৬৮
সোণর বিড়ালী গোটে মোক দিয়া আনি ।
আনি দিবো কন্যায়ে বুলিলা হেন বাণী ॥
বাপেকর ঘরে গই বিড়াল খুজিলা ।
হেন শুনি নৃপতিয়ে মনত গুণিলা ।৩৬৯
দৈবে বিড়ালী মোক আনি নাশকন্ত ।
সুবর্ণ বিড়াল গোটে জীউক দিলন্ত ॥
অসম রজাক নিয়া দিলন্ত তেখনে ।
তাক পাই শশুরক মারিলন্ত রণে ॥৩৭০
তার পুত্র ভাই যত সকলে পলাইল ।
সিবি মিচিমিত পশি প্রাণক বাখিল ॥
চুতীয়া ব রজাক মারিয়া ছলে বলে ।
লৈলন্ত সেহি রাজ্যক অসমে কৌতুহলে ।৩৭১

আহোম রজাই চুতীয়া রজাক যুদ্ধত ঘটুরাই চুতীয়া রাজ্য দখল করি লৈ চুতীয়া সকলক চাবিওপিনে চিরিলি বিবিলি কবিলে। সদিয়াব পবা তেওঁলোকব অনেকাকে নির্ব্বাসিত করি, শিবসাগর দরং এইবিলাক ঠাইত থবে। কিছুমান চুতীয়াই আহোমর লগ লাগিল। আহোমব আচার পদ্ধতি গ্রহণ কবিলে। তেওঁবিলাকে তেতিয়ার পরা আহোম চুতীয়া নাম পালে। যি সকলে আহোমব লগ নালাগি হিন্দু হৈয়ে রল, সেই সকলক ই সকলে হিন্দু চুতীয়া বুলি ধারলে। দেউবী সকল আগর দরেই রল

যদিও মদ মঙহ ব্যৱহাৰ কৰে, তথাপি আহোমৰ লগ নালাগিল।

পৰাজয় কৰি ইহঁতৰ পিছত আহোম ৰজাই চুতীয়া সকলক প্ৰধান ছই শ্ৰেণীত বিভক্ত কৰি [illegible] নিযুক্ত কৰিছিল। প্ৰধান ছই শ্ৰেণী হৈছিল, চাংখু আৰু[illegible]। চাংখু সকলক [illegible] ৰাখিছিল।

১। [illegible]

২। সোণা কাপৰীয়া [illegible]। [illegible] বৈ ঘোৰ. [illegible] সকল।

৩। ধনুধৰা।

৪। কুকুৰা চোৰা।

৫। নাও বেহা।

৬। ভঁৰালুৱা।

৭। ঝাপি গজিয়া।

৮। সেন চোৰা।

[illegible] সকলৰ নাম তেওঁবিলাকৰ থকা ঠাই হৈছিল। যেনে তিপমীয়া, বাহবৰীয়া, মদাল, গজপুৰীয়া, অভয়পুৰীয়া, বৰ কছাৰি গাঁৱক, সৰু কছাৰি গাঁৱক, নামদৈয়ঙীয়া, ওপৰ দৈয়ঙীয়া।

বেউৰী সকলো চাৰি খেল হৈছিল। তেওঁ লোকৰ থকা ঠাই আৰু আৰাধ্য দেৱতাৰ নাম অনুসৰি

১। দিবঙ্গীয়া, ২। বরগঞ্জা, ৩। টেঙ্গা পনীয়া, ৪। পাত্তর গঞ্জা, ইত্যাদি । দিবঙ্গীয়া খেলর কুণ্ডিল নৈর পারত এটা মন্দির আছিল । দিবঙ্গীয়া খেলর ভিতরত এই বিলাকৈকে ।

১। সুন্দরিও এও বিলাক বুড়া বুড়ী অর্থাৎ মহাদেব পার্ব্বতীর পুজক ।

২। আইরিওঁ এওঁবিলাকক বর ভরালীও বোলে । প্রবাদ আছে এওঁবিলাক কেনো সদাশিবরা পরা উৎপন্ন ।

৩। এওঁবিলাক সরু দেউরী ।

৪। কমতা সরু ভবানীর খেল । আইরিওঁ; সৈতে সম্পর্ক লগা ।

৫। পিতি গাওঁ যি সকলে দেবতার অর্থে পচা তুলি ফুরিছিল । সুন্দরিও সৈতে সম্পর্ক লগা ।

৬। মথা যি সকলে খোঁত পাত করে ।

৭। ভেহরিও ।

৮। লাগাবে ।

৯। দুপাও দেবতার ভোগত দিবর নিমিত্তে খেতি করা মানুহ ।

১০। কুমার চক্র হাড়ি মলা সকল ।

১১। কলিয়াচক পচা তোলাত যি সকলে পাচি বা ভার লৈ ফুরিছিল ।

যদিও মদ মঙহ ব্যৱহাৰ কৰে, তথাপি আহোমৰ লগ নালাগিল।

পৰাজয় কৰি ইঁহাৰ পিছত আহোম ৰজাই চুতীয়া সকলক প্ৰধান দুই শ্ৰেণীত বিভক্ত কৰি ৰজা ঘৰীয়া বিষয়াত নিযুক্ত কৰিছিল। প্ৰধান দুই শ্ৰেণী হৈছিল, চমুৱা আৰু কাঢ়ি। চমুৱা সকলক এইবিলাক বিষয়ত ৰাখিছিল।

১। খনিকৰ অৰ্থাৎ শিল্প বিদ্যাত নিযুক্ত মানুহ।

২। বোলা কাশবীয়া বজাৰ বেপাৰ কাৰ্য কৰা আৰু শস্ত্ৰ লৈ যোৱা ৰজাৰ শৰীৰ ৰক্ষক সকল।

৩। দাধৰা।

৪। কুকুৰা চোৱা।

৫। নাও বৈছা।

৬। ভৰলুৱা।

৭। ঝাপি সজিয়া।

৯। সেন চোৱা।

কাঢ়ি সকলৰ নাম তেওঁবিলাকৰ থকা ঠাই হৈছিল। যেনে তিপমীয়া, বাহনবীয়া, সদালে, গজপুৰীয়া, অভয়পুৰীয়া, বৰ কছাৰি শায়ক, সৰু কছাৰি শায়ক, নামদৈয়ঙীয়া, ওপৰ দৈয়ঙীয়া।

বেউৰী সকলৰো চাৰি খেল হৈছিল। তেওঁলোকৰ থকা ঠাই আৰু আৰাধ্য দেৱতাৰ নাম অনুসৰি

১। দিবঙ্গীয়া, ২। বরগঞ্জা, ৩। টেঙ্গা পনীয়া, ৪। পাতর গঞ্জা, ইত্যাদি। দিবঙ্গীয়া খেলর কুণ্ডিল নৈর পারত এটা মন্দির আছিল। দিবঙ্গীয়া খেলর ভিতরত এই বিলাকফৈদ।

১। সুন্দরিও এওঁ বিলাক বুড়া বুড়ী অর্থাৎ মহাদেব পার্ব্বতীর পূজক।

২। আইরিওঁ এওঁবিলাকক বর ভরালীও বোলে। প্রবাদ আছে এওঁবিলাক হেনো সদাশিবর পরা উৎপন্ন।

৩। এওঁবিলাক সরু দেউরী।

৪। কমতা সরু ভবালীব খেল। আইবিওঁ সৈতে সম্পর্ক লগা।

৫। শিতি গাওঁ যি সকলে দেবতার অর্থে পচা তুলি ফুরিছিল। সুন্দবিও সৈতে সম্পর্ক লগা।

৬। মবা যি যকলে খেতি বাতি করে।

৭। তেহরিও।

৮। লাগাশে।

৯। লুপাও দেবতার ভোগত দিবর নিমিত্তে খেতি করা মানুহ।

১০। কুমার চক্র হাড়ি সজা সকল।

১১। কলিয়াচক পচা তোলাত যি সকলে পাচি বা ভার লৈ ফুরিছিল।

১২। শুক্রাং গাওঁবুড়া।

বর গঞা খেলৰ উৎপত্তি বর গাঁৱত থকা বাবে এওঁবিলাকর চুনপোৰাত ব্ৰহ্মপুত্ৰর দাতিত এটা মন্দীৰ আছিল। এওঁবিলাকরো সাত ফৈদর নাম

ইকুসাৰ বর দেউৰী।

লুকার সরু দেউরী।

হিজর বর ভৰালী।

বুসারু সরু ভরালী।

টেঙ্গাপনীয়া খেল এওঁলোকর টেঙ্গাপানী নৈরপারত এটা মন্দির আছিল। এওঁবিলাকর মানুহ এই কেইফৈদ।

মুচায়ো। ফাজি মাগুরাও।

প্লেমাছু। আজুইও।

ফুটীয়াটিকা চাক্ চুরগীয়া ইত্যাদি।

পাটৰ গঞা ফৈদর মানুহ আজি কালি নাই। এয়ে আমাৰ চুতীয়া ভাত্, সকলর চমু বৃত্তান্ত।

চুতীয়া রজা সকলৰ নামর পিচত পাল উপাধিটো থকা বাবে কোনো কোনো প্ৰত্নতাত্বিকে কয় যে চুতীয়ার রজা সকল বত্ন ধ্বজকে আদি করি ধৰ্ম্মধ্বজ লৈকে ভাটীৰ পালবংশীয় রজাৰে বংশৰ কোনো এটা ঠাল ঠেঙ্গলী। রজা বোৰ চুতীয়া সকলর ওপরত ভাটীৰ পরা আহি রাজত্ব করিছিল, আরু নীতিপাল

অর্থাৎ সেই জন রজা কোনোবা পর্ব্বতীয়া চর্দ্দার চুতীয়া বা পালবংশী রজা দুর্ব্বল হোৱাত নীতিপালে আহি চুতীয়ার রাজ্যও লয় আরু সাধনীকো হস্তগত করে, অসভ্য পর্ব্বতীয়া দেখিয়েই সাধনীয়ে প্রথমতে বিয়া সোমাবলৈ খোজা নাছিল কিন্তু যেতিয়া দেখিলে যে সারিবর উপায় নাই তেতিয়া বিয়া সোমাল। আমার বিবেচনারে কিন্তু এই মত একে বারে ভুল ইয়ার কোনো ক্ষেতি নাই। পালবংশর কোনো রজায়ে উজনি বিশেষ শদিয়া আক্রমন করা কথা কতো নাপাওঁ। এইটো সকলোরে জানে যে আমার আহোম রজা সকলেও নিজর আহোম নাম থকা স্বত্বেও হিন্দুর নাম লৈ ক্ষত্রিয়র সিংহ উপাধিতো নামর পাচত গ্রহন করিছিল। যেনে, শিবসিংহ রুদ্রসিংহ ইত্যাদি ইত্যাদি। এই অনুক্রমে আমার চুতীয়া রজা রত্নধ্বজেও পাল বংশক যুদ্ধত খটুৱাই পালবংশর জীয়ারী বিয়া করাই "পাল" উপাধিটোও গ্রহন করিছিল। নীতিপাল পর্ব্বতীয়া অসভ্য চর্দ্দার নাছিল। দেউরী সকলে দঢ়াই ২ কয় যে নীতিপাল চুতীয়া যুবক আছিল। তেওর গাত অলপ খর প্রকার কারনেই সাধনীয়ে তেওক বিয়া সোমাবলৈ প্রথমতে মান্তি নহৈছিল। কিন্তু যেতিয়া দেখিলে যে নীতিপালে ক্ষত্রিয়োচিত বীরত্ব আরু বিদ্যা

দেখুৱাই সাধনীর বাপেকর অঙ্গিকার পুর্ণ কৰিলে তেতিয়া তেও ধৰ্ম্ম ৰক্ষাৰ অৰ্থে নীতি পালতেই বিয়া সোমাল। সাধনী এলা পচা তিরুতা হোৱা হলে আত্মহত্যা নকরি আহোমর করতলীয়া হৈ থাকিল হেতেন :

বিবাহাদি আচার পদ্ধতি।

স্বাধীন অৱস্থাতে থকা কালত অৰ্থাৎ আহোম সকলর হাতত পরাজিত হোৱার আগলৈকে সমস্ত চুতীয়া জাতিটোৱেই সকলো বিষয়তে হিন্দুৱেই আছিল। চুতীয়ার রজা সকলে হিন্দু ক্ষত্রিয় বংশী পাল রজা। কমতাপুরর রজা এই সকলে সৈতে বিবাহ সুত্ৰত আবদ্ধ আছিল। বিবাহত হোম পুরি বামুনে বেদোক্ত মাত্র উচ্চারন করি চুতীয়া সকলৰ বিবাহ কাৰ্য্য সম্পন্ন করিছিল। চুতীয়া সকলে নিজর ভিতরতেও আরু সময়ে সময়ে আমার অসমীয়া আন হিন্দুর সৈতেও বিবাহাদি আদান প্রদান করিছিল। সম্পত্তিৰ উত্তৰাধী কারিও চুতীয়া সকলর মাজত হিন্দুৰ দায় ভাগর নিয়মেই চলি আছে। শ্ৰাদ্ধ বিবাহ ইত্যাদি সমস্তই হিন্দুর দৰে। কোনো বিভিন্নতা নাই। এই সমস্ত কাৰনে বৰ্ত্তমানলৈকে হিন্দু চুতীয়া সকল সম্পুর্ণ ক্ষত্রিয় হিন্দুয়েই।

যি সকল ছুতীয়াই পৰাজিত হৈ আহোমৰ লগ লাগিছিল। সেই সকলৰ নামো হৈছিল আহোম ছুতীয়া আৰু সেই কালত তেওঁ লোকৰ আচাৰ পদ্ধতিও হৈছিল আহোমৰ দৰে, কিন্তু আজি কালি আমাৰ আহোম ভাতৃ সকলো হিন্দু হোৱাৰ লগে২ আমাৰ আহোম ছুতীয়া সকলো আজি কালি হিন্দুৱেই, সেই দেখি আজি কালিৰ দিনত আহোম ছুতীয়া বা হিন্দু ছুতীয়া বুলি ভেদ বেলেগ২ জাতি নাই বুলিলেও হয় আৰু যদি কৰবাত বিভিন্নতা আছেও তেনেহলে তাকো উঠাই দি সমস্ত ছুতীয়াৰে এক হোৱাই উচিত। যেনেকৈ আহোমৰ অভ্যুদয় কালত অনেক ছুতীয়া আন কি হিন্দুও আহোম হৈছিল ভাটীৰ কালে মছলমান ৰাজত্বৰ কালত অনেক হিন্দু মছলমান হৈছিল। সেইদৰে ছুতীয়াসকল অভ্যুদয়ৰ কালত কোনো কোনো বৰাহীও ছুতীয়াৰ ভিতৰত সোমাইছিল। বৰ্ত্তমানে আৰু বৰাহী সকলৰ আচাৰ নীতি পৃথক তেওঁ লোকেৰে সৈতে ছুতীয়া সকলৰ বিবাহাদি আদান প্ৰদান নাই কিন্তু যদি কোনো বৰাহী বা দেউৰীয়েই অখাদ্য ত্যাগ কৰি ছুতীয়াৰ ভিতৰত ভুক্ত হব খোজে তেন্তে সেই সকলকো আমাৰ ছুতীয়া ভাতৃ সকলে গুৰুঘৰ সকলৰ সন্মত লৈ নিজৰ ভিতৰত ভুক্ত কৰি ললে ভালত বাজে একো বেয়া নহয়।

বিশ্বাস।

বৰ্ত্তমান কালত ছুতীয়া সকল অসমৰ আন আ
হিন্দু সকলৰ দৰেই বৈষ্ণৱ ধৰ্ম্মৰ মানুহ ! আগৰ কাল
আমাৰ ছুতীয়া ভাতৃ সকল দেবী পূজক তান্ত্রিব
আছিল। দেউৰী সকলৰ ধৰ্ম্ম এক প্ৰকাৰ তান্ত্রিব
বীৰাচাৰী শাক্ত ধৰ্ম্মকেবুলিব পাৰে। তেওঁ বিলা
লক্ষ্মী স্বৰস্বতী দুৰ্গা দেবী মহাদেব এই সকলক মা
আৰু পূজে। দেউৰী সকল যে সুন্দৰ দেবী পূজ
তাৰ প্ৰমান তেওঁলোকৰ উৎপত্তিৰ বিবৰণটোৱে
দিয়ে। তেওঁবিলাকৰ ভিতৰত এটা প্ৰবাদ আছে যে
এসময়ত দুৰ্গাদেবী মাতৃ শীলাস্বরূপে নিবং নৈত ভাৰি
উঠিছিল। সেই দুৰ্গাদেবীক ব্ৰাহ্মণ সকলে আৰু আন ২
কোনো হিন্দুৱেই নিব নোৱাৰিলে পিছত কেই গৰাকী-
মান ছুতীয়াই আহি মাতৃক স্তুতি নতি কৰাত মাতৃ নিজে
নিজে পাতল হল। তেতিয়া সেই কেই গৰাকী ছুতীয়াই
মাতৃক দোলাকৰি লৈ গৈ তাম্ৰেশ্বৰী মন্দিৰত থাপিলে।
সেই কালৰে পৰা এই দোলা কঢ়িওৱা ছুতীয়া সকলৰ
বংশধৰ সকলেই দেউৰী হ'ল। আৰু শদিয়াৰ বিখ্যাত
তাম্ৰেশ্বৰী মাতৃৰ পূজক, পুৰোহিত পচাতোলা হল।

এই তাম্রেশ্বরী মাতৃর মন্দিরত দেবীক পুজিবলৈ হিন্দু খানর ডাঙ্গর ২ বীরাচারী শাক্ত সকল আছিছিল, আনকি দেবীক পুজিবলৈ তির্ব্বত, চীন ইত্যাদি ঠাইবো মানুহ আহি মাতৃক পুজিছিল। সকলো মানুহেই আনকি আবর, মিচিমি, চিংফো ইত্যাদি সকলেও এই মন্দিবক ভয় আরু ভক্তি করিছিল

এইটোও অরশ্যে জনা জাত কথা যে এই মন্দিরত বহুবি এটা নরবলি হৈছিল। এই নরবলি বিষয়টোকে লৈ কোনো কোনো প্রভু ভাত্তিকে কবখোজে যে যি মানুহে নর বলি করিছিল, সেই সকল অনাৰ্য্য অহিন্দু আছিল। চুতীয়া সকলে নর বলি চলাইছিল, সেই দেখি তেওঁলোক অহিন্দু অনাৰ্য্য আছিল। এনেকুৱা মতও মোর বিবেচনারে একেবারে অসার। নরবলি মধ্যযুগত হিন্দুর ব্রাহ্মন ক্ষত্রিয় এই সকলেও চলাইছিল। তার প্রমান অলেখ অসংখ্য। আদিতে এই নরবলির প্রথাটো আছিল যে যি মানুহক রজাই প্রান দণ্ড বিহিছিল (কোনো রাজদ্রোহ নরহত্যা ইত্যাদি অপরাধত) তেনেকুৱা মানুহক হে কোনো এক কালী বা দুর্গা মন্দিরত গোসানীর আগত মাতৃর আগত সেই মানুহটোব আত্মার মুক্তির নিমিত্তে মরন কালত মাতৃর চরন দেখি মরিবব নিমিত্তে বলি দিছিল। আরু আজি কালি যেনেকৈ মানুহে কাচি দিয়াব

কাণ্ডটো চায় সেইদরে সেই কালতো এই নরবলি বলাক এটা উৎসবর দরে হৈছিল । শঙ্খ ঘণ্টা বজাই স্তবে স্তুতিয়ে বলিত দিয়া মানুহটোৰ মনটোক উৎসাহিত কৰি ধৰ্ম্ম ভাবেরে মত্ত কৰি তাক একে কোবে কাটি প্ৰাণ সংহৰণ কৰি ৰাজ আজ্ঞা প্ৰতিপালন কৰিছিল। কালক্ৰমত যত্তেতত্তে (অকল তাম্ৰেশ্বৰী মন্দিৰতেই নহয় ভাৰতৰ আন আন দেবী মঠ বিলাকতো যেনে কামাখ্যাত জৈন্তিয়াৰ ফালজুৰ মঠত) এই নৰবলি টো, অজ্ঞান আন্ধাৰত ডুবি থকা ৰাইজৰ সন্তোষৰ অৰ্থে, অথবা ধৰ্ম্মত উন্মত্ত হোৱা দুই এজন বীৰাচাৰী সধিকৰ অন্ধ বিশ্বাসৰ উত্তেজনাত, এটা বছৰেকীয়া আবশ্যকীয় অনুস্থানৰ দৰে হৈ পৰিছিল । বছৰি দোষী বা বিদ্ৰোহী নোলাৱাৰ কাৰণে ৰজাঘৰৰ পৰা এটা বন্ধা নিয়ম মতে নিৰ্দ্দোষী মানুহ একোটাকে বলিদিয়া হৈছিল । ৰাইজৰ সন্তোষৰ অৰ্থে নিৰ্দ্দোষী মানুহক বলি দিয়াৰ বিষয়ে পূজ্যপাদ শ্ৰীশ্ৰীযুত ৰবীন্দ্ৰনাথ ঠাকুৰৰ পুথি এখানত পাবা বীৰাচাৰী সাধকে উন্মত্ত হৈ নিৰ্দ্দোষী মানুহক বলি দিবলৈ বিচৰা কথা ৺বঙ্কিম চন্দ্ৰৰ কপাল কুণ্ডলাতে বিশদ উদাহৰণ পাব । সেই কাপলিক জনে কেনেকৈ নব কুমাৰক বলিদিব বিচাৰিছিল, চেষ্টা কৰিছিল তাৰ বৰ্ণন বৰ বিশদৰূপে পাব। তাম্ৰেশ্বৰী মন্দিৰত বছ ।ঃ

বলি দিবৰ নিমিত্তে আহোম বজাই চুতীয়াক পৰাস্ত কৰি উঠিও এখেলা মানুহ থৈছিল। সেই খেলক সারন খেল বুলিছিল॥ সেই খেল মানুহৰ কর কাটল মাফ আছিল। সেই খেল চুতীয়া মানুহৰ পৰা বছৰি এটা ডেকাক বলি দিছিল। মান আহি দেশ লণ্ডভণ্ড কৰিবৰ পৰাহে সদিয়াৰ এই নর বলিৰ প্ৰথা উঠিল। তাম্ৰেশ্বৰী মন্দিৰত সেই কালত নৰবলি হোৱার বাবেই যে চুতীয়া সকল অনাৰ্য্য আছিল সেইটো নহয়। নৰবলি আৰ্য্যৰ ভিতৰত ব্ৰাহ্মণ ক্ষত্ৰিয়ৰ ভিতৰতো একালত আছিল। বৰ্ত্তমানেও দূৰ্গাপূজাত ব্ৰাহ্মণেহে ছাগলি আৰু মহক বলি দিওৱার আগেয়ে উছৰ্গা কৰি দি শাহিজল চটীয়াই দিয়ে। তাম্ৰেশ্বৰী মন্দিৰৰ নরবলির নিমিত্তে দেউৰী আৰু চুতীয়া সকলে অনাৰ্য্য হব নোৱাৰে॥

এই বিলাক বিবরণর পৰা আৰু বৰ্ত্তমান শদিয়াত যি যি ধ্বংশাবশেষ আছে তাৰ পৰা, ভীশ্মক নগৰ কুণ্ডিল পানী ইত্যাদি ঠাইর পৰা আৰু আমি সৰুৰে পৰা পিতৃ পিতামহ সকলৰ পৰা শুনি অহা আখ্যানর পৰা শঙ্কৰ দেৱৰ রুক্মিণী হৰণ পদৰ পৰা থিৰ কৰি জানিছিলো যে, এই সদিয়াই আগৰ মহাভাৰতৰ কালর ভীশ্মক ৰজার ঠাই যার জীয়েক রুক্মিণীক প্ৰভু কৃষ্ণই দ্বাৰকাৰে পৰা হিমালয়ৰ দাতিয়ে দাতিয়ে এটা আলী বন্ধাই হৰণ কৰি লৈ গৈছিল। আমার এই বিশ্বাসক

ৰায় চাহাব শ্ৰীযুত আনন্দচন্দ্ৰ আগ্ৰৱলা দেৱৰ ইংৰাজী পুথিখনে দৃঢ়করি ৰাখিছিল। আমি জানি থৈছিলো যে ভীষ্মক আগ্ৰৱালা দেৱৰ মতে উত্তৰ পূৰ্ব্ব কোণৰ পৰা অহা সেই আৰ্য্য সকলেৰে এজন ক্ষত্ৰিয় ৰজা আছিল। তেওঁৰ ৰাজ্যতে অৰ্থাৎ শদিয়া অঞ্চলত একালত শুদ্ধ সাত্বিক ব্ৰাহ্মণো আছিল যি সকলৰ এজনক অৰ্থাৎ বেদ নিধিক ৰুক্মিণী আইদেৱে প্ৰভু কৃষ্ণৰ ওচৰলৈ পঠাইছিল। কিন্তু এতিয়া বৃদ্ধবয়সত আমাৰ বন্ধু শ্ৰীযুক্ত কমলা কান্ত হাজৰিকাৰ শুধৰনী আৰু মানস সৰোবৰ” নামৰ প্ৰবন্ধৰ পৰা জানিলো যে শদিয়া মহাভাৰতৰ ভীষ্মকৰ দেশ নহয়। হলে আন কোনোবা ভীষ্মকৰহে দেশ কিন্তু চুতীয়া সকল হলে কাশ্যপ গোত্ৰীয় ক্ষত্ৰিয়। আচল ভীষ্মকৰ দেশ খান হেনো বিন্ধ্যা পৰ্ব্বতৰ দক্ষিণেহে আছিল আৰু আমি হেনো আন ঠাইৰ ঘটনা এটা অৰ্থাত বিন্ধ্যা পৰ্ব্বতৰ দক্ষিণৰ দেশ খানক জোৰ করি টানি আনি শদিয়াত থাপি সত্যৰ অপলাপ করি দুৰ্ব্বলতাৰ হে পৰিচয় দিছো। হাজৰীকাৰ মতে শদিয়া ভীষ্মকৰ দেশ নহয় তেন্তে তেওবিলাক কোন জনা ভীষ্মকৰ বংশৰ আৰু তেওবিলাকৰ পৰা আহিল কেনেকৈ ক্ষত্ৰিয় হল এই বিষয়ে আমাক সবিশেষ বিৱৰণ দিব বুলি আজিলৈকে বাত চাই আছো। শদিয়াইযে মহাভাৰতৰ

সময়র ভীস্মকর দেশ আমার আজি এতেদিনর নৈ মিঠৰ লাড়ুটো হাজৰিকা দেৱর অনুসন্ধানে একো কোবেই হাত দিলেই ভাগি যোৱা এৰা লড়ুটোত পেলাব খোজাত হে অলপ দুখ পাইছো। কিকি নহওক আমি কিন্তু এক লেখিয়া অকরা লরা। বিন্ধ্যা পর্ব্বতর দক্ষিণ ডোখৰ হে ভীস্মকর দেশ এই কথা কাহানিবাই ডেকা কালতে শুনিছিলো কিন্তু কথাটো এতিয়ালৈকে আমি মানি লব পরা নাই। ইয়ার কারন প্রত্নতত্ব বোলা বিষয়টো বেমেজলীয়া বিধর হের নিদিয়া খবর কালিদাস কর মানুহ কত উপজিছিল এই কথা লৈয়েই বিবাদ চলিছে। চেক্সপিয়র বোলা এটা মানুহে সেই নাট বিলাক লেখা নাছিল। লর্ড বেকানেহে চেক্সপিয়রর নাট বিলাক লেখিছিল। প্রমাণ লর্ড বেকনর ভাষাই আরু চেক্স পিয়রর মাত বিলাকর ভাষাই প্রায় মিল। কোনোরে কয় এইটো নহয় চেক্স পিয়র নামর মানুহ এটারে লেখিছিল। কোনোরে কয় যে সেইটো নহয় সেই কালর নাট্য সমাজর কেতবিনি মানুহে ষ্টেজত অভিনয় করিবর নিমিত্তে মিলি জুলি বৈঠকী করি এই নাটবিলাক লেখিছিল। বি স্থলত ৩।৪ শ বছরর আগর ঘটনা টোয়ে বেমেজালি তেনেস্থলত ৪।৫ হেজার বছরর আগর কথা এটা সঠিক হৈ উলিছ বুলি কেনেকৈ ধরি

লওঁ। বিন্ধ্যা পৰ্ব্বতৰ দক্ষিণ ডোখৰেইনে আৰব আৰু মিছিমি পৰ্ব্বতৰ দক্ষিণ ডোখৰেই ভীষ্মকৰ দেশ এই কথাটো আমাৰ মনেৰে এতিয়াও থিৰাং হৈ উঠা নাই সেই দেখি আমি শদিয়াকে মহাভাৰতৰ সময়ৰ ভীষ্মকৰ দেশ বুলিছোঁ, আৰু বুলিমো। অৱশ্যে ব্ৰহ্মপুত্ৰৰ উৎপত্তিৰ বিষয়ে যদিও সত্যাচৰণ শাস্ত্ৰীয়ে তেওঁৰ কৈলাশ ভ্ৰমণ নামৰ পুথিত একোকে কোৱা নাই। তথাপি শেষত হেডিনৰ মতটোকে মানিললো। কিন্তু ভীষ্মকৰ দেশখনৰ বিষয়ে হাজৰীকা দেৱৰ সিদ্ধান্তটো মানি লব নোৱাৰি দুখিত হলো। তেওঁৰ এইটো সিদ্ধান্ত মানি লবলৈ হলে আন এজন প্ৰত্নতাত্বিকৰ যুক্তিগতে বাণৰাজাৰ তেজপুৰ খনকো নি সিন্ধু প্ৰদেশত থব লাগিব। নৰকক নি এচিৰিয়াত (মেচপটোমিয়াৰ সিফালে) থৈ সবলতাৰ পৰিচয় দিব লগাত পৰিম, যেহেতু এচিৰিয়াৰ পৰা অসুৰ বংশ সিৰিয়াৰ পৰা সুৰ বংশ হৈছেবুলি প্ৰত্নতাত্বিকে কৈছে। আমাৰ মৰমৰ অসমৰ তিনিও খন নামজ্বলা ঠাইকে একাদি ক্ৰমে চিজিলক্ৰমে পঠিয়াই থৈলি নিথৈ আহি অসম খনক আগৰ অসভ্য দেশ, জঙ্গলি দেশ, নগাঁ আবৰৰহে আবাস স্থান এনেকুৱা বিধত পেলাই আমাৰ বল বিক্ৰম বঢ়াবলৈ বৰ টান পাওঁ। আমি থেলি নি থলেও শদিয়াত যি বিলাক বৰ্ত্তমান চিন মোকাম ধ্বংশাৱশেষ আছে সেই বিলাক দেখোন ভীষ্মকক শদিয়ালৈ টানি আনে। তেজ

পুৰব মঠ মন্দিৰ ধ্বংসাৱশেষ বিলাকে বাণক তেজপুৰলৈ কে টানে আৰু কামৰূপৰ পুৰণি চিং মোকাম জনশ্ৰুতি বুৰঞ্জী গোটেই বিলাকেই নৰকক কামৰূপলৈ আনে শদিয়াৰ বৰ্ত্তমান শাসন কৰ্ত্তা মহোদয় বিদ্যোৎসাহী আৰু প্ৰত্নতত্ত্ব ৰূপ থকা শ্ৰীযুক্ত কালঘান চাহাবে শদিয়াৰ বিষয়ে কি দৰে লেখিছে শুনক।

শদিয়াৰ উৎপত্তি বিষয়ৰ কথা বুৰঞ্জীয়ে সিদ্ধেই কওক এইটো থিৰাং যে শদিয়াত ভালেমান পুৰনি ধ্বংসাৱশেষ আছে সি ধংসাৱশেষ বিলাকে এতিয়াও অসমৰ গৌৰব প্ৰকাশ কৰে। দেওপানী আৰু দিবং নৈৰ ওচৰত ভালেমান পুখুৰী আছে। কেত বিলাক ডাঙ্গৰ, আন কিছুমান ৰূপৰ মটিৰ বেৰ চাৰিকেণীয়া পাৰ বিলাক ইটাৰে বন্ধোৱা ঘাটবিলাক পকা। বালিজান নৈৰ ওপৰ বঙত চিপুনিয়া গাওঁৰ ওচৰত আৰু লোহিত্য উপত্যকাৰ মাজেদি যোৱা আলীৰ ২৭মাইলৰ ওচৰত এটা ডাঙ্গৰ দূৰ্গ ৰাজ্যৰ ধংসাৱশেষ আছে। এই দূৰ্গ ৰজা ৰুক্মিণীৰ বাপেক ভীস্মক ৰজাই কৰা বুলি মানুহৰ বিশ্বাস।

আন এটা বিখ্যাত ধ্বংসাৱশেষ হৈছে তাম্ৰেশ্বৰীৰ মন্দিৰ। এটা সৰু নৈৰ মোহাতে অৱস্থিত।

শান বা আহোমে অসম ৰাজ্য আক্ৰমন কৰাৰ আগেয়ে পূৰ্ব্ব কামাখ্যালৈ ভাৰতবৰ্ষৰ পশ্চিম অঞ্চলৰ মানুহে কোচবেহাৰৰ পৰা অসমৰ পুব সীমালৈ থকা

এটা ওখ আলিরে অসমৈল অহা যোৱা কৰিছিল। সদিয়াৰ পরা চুনপুরার মাজেদি তাম্রেশ্বৰী মাইর মন্দিৰলৈকে এটা আলি আছিল যি রাজ গড় আলি। তেজ পুৱর পরা উত্তর লক্ষীম পুরর মাজেদি আহিছে॥ সেই আলির চিন খণ্ড খণ্ড হৈ ঠায়ে ঠায়ে এতিয়াও শদিয়ার ৯ মাইল পুবত থকা ডিকু নৈ লৈকে আছে। তাম্রেশ্বরী মাইর পৰা প্রায় ২৮ মাইল দূরত তীর্থজাত্রী সকলে বিগারু মুখ টেমিমুখেদি যোৱা আলির মুরর পরা লোহিত পার হৈ তিনি মাইল গলে পরশুৰাম কুণ্ড পায়। এই বিলাকর উপরিও কুণ্ডিল নৈর পাৰত বলীয়া বাবার থান ৭ মাইল উত্তরে মিজ্রাম ঘানির কালে বুড়া বুড়ার থান তীরু শাণী নৈ আরু চরকারী পাব্লিক ওটক্‌চ ডিপার্টমেণ্টর আলীর মাজতে এটা শিবলিঙ্গ আছে। চুন পোরা লৈ যোৱা আলীর ৯ মাইল আতরত এটা তিনি চুকীয়া পুখুরীও আছে। এনে করা বিলাক ধংশবশেষ জনশ্রুতি আরু প্রভু শঙ্করদেৱর রুক্মিণী হরণৰ নিচিনা সুরলা শ্রুতি মধুৰ পুথিথকা থলত রাইজ সকল। কওক চোন কোন টো প্রমানেরে আমি অসমীয়াই ভীস্মকর রাজ্যখন নি বিন্ধ্যা পর্ব্বতর দক্ষিণত পাতো। আনে পাতিব পারে মই হলে নোৱারো। সেই দেখি মই এতিয়াও ধরি থৈছো যে শদিয়াই ভীস্মকৰ নগর আরু চুতীয়া সকলেই সেই ভীষ্মকৰ বংশৰ বা দিনর ক্ষেত্রিয় জাতি॥

ছুতীয়া সকল ক্ষেত্রিয় জাতি হয়নে নহয় এই বিষয়ে প্রত্নতাত্বিক সকলর ভিতরত মতভেদ আছে। কর্ণেল ডালটনে কয় ছুতীয়া সকল একজাত মিরি হে তেওঁর। এই মত ভেলেই ভুল মাননীয় ডী ও বি ব্রাউনে কয় যে ছুতীয়া সকল কেতিয়াও মীরি নহয়। ছুতীয়া সকলেই শদিয়া রাজ্যর আদি পুরণি অধিবাসী তেওঁর মতে সি বিলাক মিরি ছুতীয়া রজার দিনত ভৈয়ামলৈ নামি আহি ছুতীয়া রাজ্যর ভিতরত বাস করিছিল সেই সকল মিরিকে ছুতীয়া মিরি বোলে। শ্রীযুত বি, ছি এলেন চাহাবে কয় যে ছুতীয়া জাতী বর জাতীর এটা শাখা। বরজাতীর ভিতরতে হেনো, গারো, কছারী কোচ, মেছ, রভা এই সমস্ত পরে। কিন্তু ছুতীয়া আরু কোচ জাতীক বর জাতির ভিতরত থলে কোচ আরু ছুতীয়াৰ ধর্ম্মও বরজাতীর দরে সিজো, শিল ইত্যাদিক পূজাকরা হব লাগিছিল। কিন্তু কতো কোচর আরু ছুতীয়ার ধর্ম্ম দেখোন হিন্দু ধর্ম্মই। সিজো, শিল মনা বিধর নহয়। ছুতীয়া সকলে আগর কালত মহাদেউ পার্ব্বতীক উপাসন করিছিল। আরু আজি কালী দেখো আমার অসমর কোচ কলিতা সকলৰ দরে বৈষ্ণৱ মহা পুরুষীয়া দামোদরী ইত্যাদি ধর্ম্ম মনা লোক কোনো কোনো প্রত্নতাত্বিকে কয় যে ছুতীয়ার পুরোহিত দেউৰী সকলে যি স্থলত ছাগলী বধ নকরেৰে ছাগলীক মানে

অথচ মুৰগী গাহৰী খায় তেনেহলেও ছুতীয়া সকল টটামিস্তিক তৰ্থ ত এটা জন্তুৰ উপাসকপা এটা জন্তুক নিজৰ ভাতৃৰ দৰে লোৱা মানুহ। আৰু টটামিস্তিক হোৱা মানুহ সকল অনাৰ্য্য পৰ্ব্বতীয়া। কিন্তু এই টটেমৰ বিষয়ে আমি পাওঁ যে আমাৰ অৱতাৰি পুৰুষ প্ৰভু শঙ্কৰ দেৱৰ বংশ সকলে কাছ নামাৰে আৰু কাচ নাখায় দ্বিজ ৰমানন্দ কৃত শঙ্কৰ দেৱৰ চৰিত্ৰত আছে যে তেওঁ বিলাকৰ উপৰি পুৰুষ সকলৰ এজনা সেই সময়ত কনৌজত পাঠানৰ উৎপাত হোৱাত তেওঁ লোকৰ তামৰ ফলি এখন পুখুৰী এটাত পেলাই অলপ অচৰপ বয়বস্তু হাতত লই হাবিত পলাই আছিল। পিছত পাঠান যোৱাত হাবিৰ পৰা ওলাই আহি নিজ ঘৰত বাস কৰাৰ লগে ২ পুখুৰীটোত তামৰ ফলি খান জল পেলোৱাই মানুহ নামি ডুঁবিয়াই বৰকৈ বিচাৰোঁতে ফলি খন নাপালে। কিন্তু মানুহে বিচাৰি হায়ৰান হৈ হেৰাল বুলি এৰি দিয়াৰ পিচত বৰ ডাঙৰ কাছ এজনীয়ে সেই তামৰ ফলিখন মুখত কৰি আনি পাৰত দিলেহি। তেতিয়াৰে পৰা শঙ্কৰ দেৱৰ বংশয় কাছ নাখায়ো নামাৰেয়ো। শঙ্কৰ দেৱৰ বংশ সকল দেখোন নিভাজ নিখুট কায়স্থ। কাচক নমৰা বাবে তেওবিলাকো টটামিস্তিক হলনে ?

এনেকুৱা বিলাক মতামতৰ পৰা দেখা যায় যে কনৌজ হেনো ৰায় বাহাদুৰ গুনাভী ৰাম বৰুৱা

ব্ৰাউন চাহাব এই সকলে চুতীয়া সকলক শদিয়াৰ আদিম নিবাসী বোলাত আমি তেও বিলাকক ভীষ্মকৰ সময়ৰ ক্ষত্ৰিয় সকলৰ সতি সন্ততি বুলি ধৰি লৈছো। আমাৰ মতে বুৰঞ্জী হিচাপেও চুতিয়া সকল ক্ষত্ৰিয়হে

কিন্তু এই খিনিতে আকৌ কোনো প্ৰত্ন তাত্বিকে কব পাৰে যে চুতীয়া সকল ভীষ্মকৰ বংশৰ হলেও অনাৰ্য্য আৰ্য্য ক্ষত্ৰিয় জাতৰ মানুহ নহয় যেহেতু ভীষ্মক ভগদত্ত নৰক ৰামায়নৰ বালী সুগ্ৰীব এই সকল হিন্দূ ধৰ্ম্ম লোৱা অনাৰ্য্য বংশধৰে ৰজা আছিল আমি কিন্তু ঠিক কৈ কব নোৱাৰো এই ৰজাসকল আৰ্য্য নে অনাৰ্য্য আছিল। মহাভাৰত ৰামায়নৰ প্ৰায় সমস্ত পৰাক্ৰমী ৰজাৰে কেও ঘোৰ শৈৱ কেও ঘোৰ শাক্ত আছিল। ৰামায়ন আৰু মহাভাৰতে একালে শুদ্ধ সত্ব বৈষ্ণৱ ধৰ্ম্মৰ আন ফালে তান্ত্ৰিক শাক্ত আৰু শৈৱ ধৰ্ম্মৰ ভয়ঙ্কৰ সংঘৰ্ষন দেখা যায় ৰামো বিষ্ণুৰ অৱতাৰ কৃষ্ণও বিষ্ণুৰ অৱতাৰ ৰামেও দেবী পুজক ৰাবনৰ প্ৰতি দ্বন্দ্বিই ৰাবনক বধিলে শ্ৰীকৃষ্ণই ও প্ৰথ জৰাসন্ধ শিশুপাল প্ৰভৃতি শাক্ত ৰজা সকলক মাৰিলেও আৰু শেহত ভাৰতৰ যুদ্ধত পঞ্চ পাণ্ডৱৰ হতুৱাই শৈৱ ৰজা দুৰ্য্যোধন আৰু শাক্ত শৈৱ অসংখ্য কৌৰৱ ক্ষত্ৰীয়া ৰজা সকলক মৰাই ভাৰতৰ বৈষ্ণৱ ধৰ্ম্ম থাপিলে। জৰাসন্ধ শিশুপাল

এই সকল রজা জাতত ক্ষত্রিয়ই আছিল নে অনার্য্য তাক কোনে জানে॥ রাবনর মাক নিশাচরী বা দাস হলেও রাবন বামুনর হে লৰা আছিল।

যদি জরাশন্ধ শিশুপাল আদি ক্ষত্রিয় রজা হয় তেন্তে ভগদত্ত বান ভীস্মকো ক্ষত্রিয়ই আছিল। অথবা হিন্দুর লগত পরি ক্ষত্রিয় হিন্দুরে সৈতে বিবাহাদি আদান প্রদান করি হিন্দুয়ে হৈছিল। ছুতীয়ার দেউরী সকলে মদ গাহরি খোৱার বাবেই তেওঁলোকক অনার্য্য বুলিব নোৱারি। আগর কালর ক্ষত্রিয় সকলে মদ গাহরি খাই ছিলেই। পিছতহে মদ গাহরি এরিছে ছুতীয়া সকল দবা চলতে অনার্য্য হোৱা হলে দেউৰী সকলে গছ পাথর অথবা দেওঁ ভূত ইত্যাদি পূজিলো হেতেন কারামী গেরা অর্থাৎ মহাদেব পার্ব্বতী বলীয়া বাবা মহাদেউ এই সকলক নুপুজিলে হেতেন। দিবঙ্গীয়া খেলর মহাদেৱ পার্ব্বতীর মন্দিব এতিয়াও কুণ্ডিল নৈর পারত বর্ত্তমান। যি ছুতীয়া জাতিয়ে এসময়ত দুর্গ গড় আদি করিছিল তাম্রেশ্বরীর মন্দিব আরু দেৱালয় সাজিছিল পুখুরী খন্দাই উছগা করিছিল যি জাতির ভিতরত লেখা পঢ়ার চর্চ্চা আছিল। যি সকলর পূজা পদ্ধতি বিবাহ শ্রাদ্ধ সমস্ত হিন্দুর নিয়মে চলি আহিছে। যি সকলে আগর কালত শিব দুর্গাক পূজিছিল আরু এতিয়া বৈষ্ণব ধর্ম্মত

প্রবর্ত্তিছে যি জাতিয়ে পালবংশক আৰু কমতা পুৰৰ ৰজাক যুজত ঘটুৱাব পাৰিছিল। যি জাতিয়ে জলে স্থলে ৩০০ তিনিশ বছৰ আহোমে সৈতে যুজ ধৰি আছিল। যি জাতৰ ৰজাই পালবংশ আৰু কমতা পুৰৰ ৰজাই সৈতে বিবাহ সুত্ৰত আবদ্ধ আছিল সেই জাতি পৰ্ব্বতীয়া আৰৰ দফলাৰ নিচিনা মানুহ নহয় কেতিয়াও নহয় সেই জাতিটো আগৰ ভীস্মকৰ বংশৰ ক্ষত্ৰিয় জাতিহে।

যদি তথাপি কোনোবাই আপত্তি কৰে তেনে হলেও এইটো ধ্ৰুব সত্য যে চুতীয়া জাতিটো এসময়ৰ ৰাজ বংশৰ জাতি। গুন আৰু কৰ্ম্মৰ দ্বাৰাই যদি আদিতে হিন্দুৰ জাত বিলাকৰ নিৰাকৰন হৈছিল তেনেহলেও চুতীয়াৰ আগৰ গুন আৰু কৰ্ম্মলৈ চাই ও তেওবিলাক ক্ষত্ৰিয়হে।

চুতীয়া সকলৰ বৰ্ত্তমান অবস্থা।

এই বিষয়ে আমি নিজে একো কব নালাগে। আমাৰ বন্ধু শ্ৰীমান জয়কান্ত বৰুয়া দেৱে তেওঁৰ চুতীয়া জাতি বোলা পুথি খানত যি লেখিছে তাকে তুলি দিলো। চুতীয়া বিলাক অসমৰ ৰাজবংশী মানুহ আগেয়ে এটা স্বাধীন জাতি আছিল। এতিয়া আৰু সেই দিন নায়। ৰাজ হেৰুৱাৰ লগে২ সাহ পিত আৰু গাৰ বলো তলপৰি যাবলৈ ধৰিছে। নানা হেছা ৫

বিপদে চুতীয়া জাতিক লুটুঙ্গা করিছে। ইমান ঠেল্ল ছিগা হৈ পৰিল যে আজি কালির নিচিনা দিনতো নিজে নিজে চিনিব পৰা নাই, কিবা চিনাকী দিবলৈ সাহ জন্মা নাই। চুতীয়া জাতির বৰ্ত্তমান অবস্থা কবলৈ বেজার লগা। যি চুতীয়া জাতিয়ে ৪০০ বছরৰ পূৰ্ব্বে উজনী অসমত প্রবল প্রতাপেরে ৰাজত্ব কৰিছিল সেই জাতির সতি সন্ততি বিলাকে এতিয়া অৱনতির তলত পৰি নিতাল মাৰি আছে। তেওঁলোক নিঃকিন নিচলা আৰু প্রায় অকামিলা হৈ জুলুকা লাগি পেপুৰা খাই আছে।

সময়ে অনেক পৰিবৰ্ত্তন কৰে ৰজাক ভিকহু কৰে ঋবিভাৰীও সম্ভ্রান্ত লোক হৈ উঠে। কতনো সাল সলনি হয় তার সীমা সংখ্যা নাই। আহোম চুতীয়া কোচ, কছাৰীর ৰাজত্ব আজি কালর গৰ্ভত তেওঁ লোকৰ প্রসিদ্ধ নগর বিলাক অরণ্যৰ মাজত। প্রজার অৱস্থা জাতির কথা, এতিয়ারে বহুত প্রভেদ। মান সম্ভ্রম আচাৰ নীতি আদি রিজালেও নিমিলে। এই জাতির অধঃ পতনর সময়ত যি দুৰ্দ্দশা তাক বৰ্ণনা কৰা টান। কতই আকৌ যুগমীয়া দাসত্বর বান্ধনিহে জীর নক ধন্যবাদ ভাব কৰিছে আসামর পুরনি ৰাজবংশী চুতীয়া,আহোম আদিৰো দশা সেয়ে হৈছে। আজি সকলো জাতি মহা প্রতাপী বৃটিছ ৰজাৰ সমান প্রজা।

বৰ্ত্তমান সময়ত ছুটীয়া সকলে কি কৰা উচিত।

পূৰ্ব্ব গৌৰবলৈ চাই, বৰ্ত্তমানে ছুতীয়া সকলে কি কৰা উচিত এই বিষয়ে পৰস্পৰে সহ যুক্তি কৰি এটা সিদ্ধান্ত কৰিবৰ নিমিত্তেই এই সভা বহুত হৈছে। আজি কালিৰ দিনত শিক্ষাই হৈছে সকলো উন্নতিৰ মূল। ছুতীয়া সকলে আন২ অসমীয়া সকলৰ দৰেই উন্নতি লভিবলৈ খোজে যদি তেন্তে নিজৰ ভিতৰত শিক্ষা বঢ়াবলৈ আগ বাঢ়ক। আমি ক্ষত্ৰিয় সেই বাবে হাল কোৰ নাবাম এনেকুৱা এটা মতত ধৰিলে আৰু এটা হুজুগত পৰি লগুণ লবলৈ বিচাৰিলে আমাৰ চুতীয়া জাত্ সকলৰ এটা লোকচানত বাজে লাভ হলে নহব। ছুতীয়া সকলৰ বৰ্ত্তমানে প্ৰধান উদ্দেশ্য হব লাগে, নিজৰ ভিতৰত সকলো বিধৰ শিক্ষা লাভ কৰা। ভাল্ শিক্ষা হলেই কাৰবাৰ, কৃষি, বানিজ্য, চাকৰি সকলোতেই উন্নতি লাভ কৰিব পৰা হব। ভাং, কানি, মদ, সিগাৰেট ইত্যাদি ৰাগীযাল বস্তু বিলাকৰ পৰা ছুতীয়া যুবক সকলে আঁতৰি থাকি বিদ্যা বুদ্ধিৰ চৰ্চ্চা কৰাত লাগি থাকিলে বানিজ্য ব্যৱসায় এই বিলাকত পৰস্পৰ সহায় আৰু সহানুভূতি থাকিল, ই হৈছে সিকেদৰ

দোষ হীন দেহি বিচারি সময় সকটাই মিলা প্রীতিৰে চলিলে, মনৰ পৰা ঠেক বা সঙ্কীৰ্ণ ভাব বিলাক দূৰ কৰিবলৈ শিকিলে ধৰ্ম্মত মন ৰাখি কৰ্ত্তব্য কৰ্ম্মত লাগি থাকিলে স্ত্ৰী অৰ্থাৎ লক্ষ্মীয়ে আপোনা আপুনি লগ দিব।

দুৰ্গাপূজাৰ আধ্যাত্মিক ভাবলৈ চালে আমি পাওঁ কি দুৰ্গা দেবীৰ বৰণ হালধীয়া, আমাৰ পঠাৰত ধান বিলাক পকিলে তাৰো বৰণ হালধীয়া, হয় যি মানুহে সৰস্বতীক আৰাধনা বিদ্যা শিকি ভালকৈ কৃষি (অথবা সকলো বিষয়ৰ কৰ্ষণ) কৰিব পাৰে, তেওঁক শস্যৰূপী লক্ষ্মীয়ে লাগ দিয়ে খাই বই বলবান হব পাৰিলে একালে কাৰ্ত্তিকৰ দৰে সুশ্ৰী আৰু বীৰ হব পৰা যায় আৰু আন ফালে কৰ্ম্ম কৰাৰ ফলেৰে যি জ্ঞান লাভ হয় সেই জ্ঞানেৰে গহীন গম্ভীৰ প্ৰশান্ত গনেশ হৈ সিদ্ধি লাভ কৰি মা ভগবতীক বা ঈশ্বৰক অন্তত লাভ কৰি মনুষ্য জনমৰ সাৰ্থক কৰিব পৰা যায়। মোৰ বোধেৰে ভাতৃ সকল। দুৰ্গা প্ৰতিমাৰ আধ্যাত্মিক অৰ্থ এনেকুৱা হোৱাহে। দুৰ্গাক লাভ হবলৈ গলেই প্ৰথমতে কৰ্ষণ কৰিব অৰ্থাৎ শিক্ষা লভিব লাগিব। শিক্ষা লভিবলৈ হলেই মদ, কাণি, ভাং চিগাৰেট এই কেইটা বস্তু আগেয়ে অভবাৰ লাগিব। যদিও অবস্থা বিশেষে কোনো ৰোগ বিশেষে

মদ, কাণি, ভাঙ্গ আৱশ্যকীয়ও তথাপি এই তিনিওটা বস্তু বিষহে । হায় মোৰ ওপৰ অসম দেশ খনক কানিয়ে আৰু ভাটী অসম খনক ভাঙ্গেই সৰ্ব্বনাশ কৰিলে । দুইৰো মাজতে মদ বা লাও পানীয়েও কম অন্যায় নকৰে । এতেকেহে মোৰ ছুতীয়া ভাতৃ সকল এই তিনটী নিছা যদি আপোনালোকৰ ভিতৰত আছে, তেন্তে তাক ততালিকে দূৰ কৰিবলৈ প্ৰথমতে চেষ্টা কৰা । নিছা বস্তু এটা এৰেঁা বুলিলে মনৰ বল লগালে এৰিবলৈ একো টান কথা নহয় । অৱশ্যে মই নিজৰ শ্লাঘাৰ অৰ্থে কোৱা নাই, কিন্তু আহিৰ পৰা যদি কাৰবাৰ কিবা উপকাৰ হয় তেন্তে কওঁ শুনক । মই স্কুল কলেজত থাকিবৰে পৰা আজি এবছৰ আগলৈকে মই ধপাত, চুৰট, চিগাৰেট বৰকৈ খাইছিলেঁা, কিন্তু আজি বছৰেক হল অৰ্থাৎ গল বছৰ এনেকুৱা দিনতেই কিবা এটা .... উপস্থিত হোৱাত ধপাত ৰিৰি চিগাৰ চিগাৰেট একোকে নাখাওঁ বুলি প্ৰতিজ্ঞা কৰিলেঁা আৰু জগৰন্ত পুৰুষৰ কৃপাত মোৰ ধপাত খোৱা অভ্যাসটো গল । কিন্তু তাৰ ফল স্বৰূপে মোৰ ঘৰৰ পৰা দুটা লৰাৰ মুখৰ পৰাও খোৱা খোৱা বস্তুটো আতৰ হল মাহে কুৰি টকি ৰূপ যে জায় হল্লেই তাৰ উপৰিও আমাৰ স্বাস্থ্যও ভাল হৈছে যেন পাইছো এতেকে ৰাইজ

সকল চেষ্টাই করিব নোরারা কামনাই আপোনা সকলে চেষ্টা করি এই তিতা বিহ আপোনালোকর সমাজর পরা আতরাওঁক। অতি দুখ লাগে যে আমার দেশ খানক কানি ভাঙ্গ মদে যি অনিষ্ট করিছে সেয়ে অসহনীয় কিন্তু দেখার ওপরত দানবর দরে চিগারেট বোলা বস্তুটো ও আমার দেশত ঘর বেয়াকৈ সোমাইছে। এই বস্তুটো গাৱেঁ গাৱেঁ সোমাই সকলোৰে আন কি সরু সরু লরা ছোৱালীর মুখে মুখেও হৈছে তাহানিখন মই চেটেলমেণ্ট করি থাকোতে এই গোলাঘাট ঢেকীয়াল কি মিছামরা গাৱঁর এঠাইত এটা চাপরির ওপরত একজনী সাদরী দহ বছরীয়া ছোৱালীক চিগারেট হুপি থকা দেখা পাই কইছিলো আ ইটো তোমালোকর জাতিনা সরু সরু লরা ছোৱালীয়েও চিগারেট খোৱা হলানে। ছোৱালী জনী একো লাজ নকরি উত্তর দিছিল হয় হুজুর আমি খাও আমাতকৈ সরু সরু বিলাকেও খায়। মই ছোৱালী জনীর কথা শুনি বিস্ময় হৈ কইছিলো আ ইটো এই বস্তুটো বর বেয়া ইয়াত খরচ করা পয়চা কেইটারে একেবা গাখীর বা কল কুহিয়ারকে চোন কিনি খোৱা ভাল। মোর কথার শালতকে ছোৱালী জনীয়ে লাজ পাই মুখর পরা চিগারেটটো পেলাই লরি গুচি গৈছিল সিদিনা। খন আজি ১০ দিন মান হল ম'কম জংঘর সেল তেখনত একজনী নেপালীয়া কুলি ছোৱালীক বেড়লেম্প

চিগাৰেট এটা ডুপি থকা দেখি তাইৰ ওচৰতে থকা মাক বাপেকক কলো "তইহঁতে কেলই এই পিয়াহ খোৱা কেচুৱা জনীক চিগাৰেট খাব দিছ। সিহঁতে কলে নিদিলে তাই কান্দে সেই দেখি দিওঁ। হায় হায় লৰা ছোৱালীয়ে কান্দিলে মাক বাপেকে চিগাৰেত কিনি খুৱাব লগা দিন হল। ধন্য দুঃখ দৰিদ্র পিড়িত ভাৰতবৰ্ষৰ অবস্থা। ধন্য অসমৰ অবস্থা। মই মিনতিৰে প্ৰপে।। সকলক আনকি সকলো অসমীয়াকে নিবেদন কৰিছো এই চিগাৰেট খোৱা প্ৰথাটো যেন গুচে। চিগাৰেট অতি কষ্টৰে অৰ্জ্জা পইচা নাশ আৰু তাৰ বদলে যক্ষ্মা খেহৰোগ হুচহুচ পুদাহ ইত্যাদি বেমাৰ এতিয়া যদি দিয়াও নাই পেচত দিবগৈ এই পিহ বাইজ সকল। যত্ন কৰি সময় থাকোতে ইহঁতে বৈৰ উপায়েৰে অতবাবলৈ যত্ন কৰক। প্ৰকৃত ক্ষত্ৰিয়ৰ দৰে সংসাৰ যুজত কৰিব পৰা হলেহে ক্ষত্ৰিয়ৰ কাম কৰা হব। বদ নিচাৰ পৰা বদ কথাৰ পৰা আতৰি থাকিব পৰাটো আৰু তাৰ লগে লগে কৰ্ত্তব্য কাম কৰিব পৰাটোহে আচল ক্ষত্ৰিয়ৰ কাম কৰা হব।

আমাৰ বন্ধু শ্ৰীমান জ্ঞাননাথ বৰুৱা বি, এল দেৱে হিচাবকৈ দেখুৱাইছে, যে অসমীয়া মানুহ মানৰ আক্ৰমনৰ আগেয়ে ৩৯ উনচল্লীশ লাখ আছিল। মান

মোৱামৰীয়াৰ অত্যাচাৰত অনেক মানুহ মৰি হাজি দেশ এৰি বিদেশলৈ গৈ ইংৰাজ ৰাজত্বৰ আৰম্ভনত মুঠেই ৮ লাখত পৰিছিলগৈ। এনেকুৱা কোনো ৰকমে আজি এশ বছৰে ১৯ লাখ হৈছিল, কিন্তু এতিয়া অসম দিনক দিনে বিদেশিৰে ভৰি পৰিৰ ধৰিছে। বৰ্ত্তমান বিদেশী যথা কুলি, হিন্দুস্থানী বঙ্গালী, মৈমনসিঙ্গীয়া মুচলমান সকলো মিলি ২৩ লাখ হৈছে। এতিয়া এই অসমীয়া জাতিটো বিদেশীৰ হেচাৰ মাজত। আমি অসমীয়াই এই হেচাৰ মাজত তিষ্টি থাকিবলৈ হলে আমাৰ প্ৰত্যেকেই আন জাতৰ লগত দ্বেষ নকৰাকৈ, হাই কাজীয়া নকৰাকৈ শান্তিৰে পৰস্পৰে পৰস্পৰৰ সহায় লৈ নিজ নিজ উন্নতিত আগ বাঢ়িব লাগিব। তেহে আমি এই জীৱন যুজত তিষ্টিম, নহলে আমাৰ অসমীয়া নাম নুমাব। বিদেশীৰ হেচাত আমাৰ অস্তিত্ব হেৰাব। এতেকে মোৰ ছুতীয়া ভাতৃ সকল। আপোনালোকে অপোনা লোকৰ লৰা ছোৱালী বিলাকক সকলো বিষয়তে শিক্ষিত কৰি তোলক। নিজে নিজে ত্যাগ স্বীকাৰ কৰিও সিহঁতক শিক্ষা দিয়ক। এলাহ নিহালি এৰি আপোনালোকে কৰ্ম্মত লাগি যাওক। যি সকলৰ মদ ভাং কানি ইত্যাদি কোনো নিচাত ৰাপ আছে সেই সকলে এই বিলাক দৃঢ় প্ৰতিজ্ঞ হৈ এৰি ডেকা সকলক সজ আৰ্হি দেখুৱাওক। ডেকা সকলে বুঢ়া বেথা সকলৰ সহায় সহানুভূতি আৰু

আশীৰ্ব্বাদ গ্ৰহণ কৰি এতিয়াৰে পৰা শিক্ষাত, কৰ্ম্ম ক্ষেত্ৰত কৃষিত ব্যৱসা বাণিজ্যত শিল্প আদি কৰ্ম্মত যেনে বাঢ়ৈ কমাৰ ইত্যাদিত, নিকা পৰিষ্কাৰ থাকি স্বাস্থ্যসম্বন্ধিয় নিয়ম বিলাক পালন কৰি সুস্বাস্থ্য লাভ, সমবেত চেষ্টাৰ ভাল পানী টোপা খাই মোটা ভাতে মোটা কাপোৰেই ভাল পানী এটুপিৰে সৈতে কৰ্ম্মত লাগক! সেই দৰে আমাৰ ছুতীয়া গাভৰু সকলেও পূৰ্ব্বাপৰ ৰীতি অনুসৰি বন্ধা বঢ়াৰ উপৰিও বোৱাকটা আগতকৈ বেছিকৈ কৰিব ধৰক। লাহ বিলাহ অতৰাই সকলোৱে ঈশ্বৰত ভক্তি ৰাখি ধৰ্ম্মত মতি ৰাখি নীতিৰ পথত চলি, একতাক মুলমন্ত্ৰ ৰূপে ধৰি সকলোৱে কৰ্ম্ম কৰক। সিদিনাখন অলপতে ৰেলত এজন মান্য গন্য মৌজাদাৰে সৈতে কথা এটাৰ আলোচনা হৈছিল। মৌজাদাৰে কলে, ডাক্তৰীয়া এটা কথা মন কৰিছেনে। এতিয়ালৈকে ভগৱন্ত পুৰুষৰ কৃপাত কোনো অসমীয়া মানুহে ৰেলৰ বা বাগানত বা কয়লাৰ খনিত কাম কাজ কৰা নাই। মই কলোঁ কিয় কব পাৰেনে, মৌজাদাৰ ডাক্তৰীয়াই কলে আমাৰ ৰায়তৰ এতিয়াও অভাৱ হোৱা নাই। মই কলো হয়, সেইটো সচা। ঈশ্বৰে কৃপাকৰিছে এই কাৰনে যে এতিয়ালৈকে আমাৰ স্ত্ৰী জাতিটোৱে মাতৃ জাতিটোৱে বোৱা কটা এৰা নাই, সেই কাৰণেহে এতিয়াও অসমীয়া মানুহ এইবিলাক কামলৈ ওলোৱা

নাই, কিন্তু কোনোবাইক্তি যদি আমার গারনীয়া মাতৃ সকলে ধৰ কাটিব এরে কাপোৰ অলো যদি কিনিহে পিন্ধিব লগা হয় তেন্তে অসমীয়া মানুহে পেটর অর্থে কাপোরর অর্থে এই বিলাক কামলৈ আহিব লাগিব। সেই দেখি আমাৰ মাতৃসকল সময় থাকোতেই সাৱধান হওক। আগতকৈ বোৱাকটা বেচিকৈ করক। সূতা কিনিওঁ কাপোৰ বওক বুড়াবেথা সকলে সূতা কাতিবলৈ কো ধরক। যদি মোর চুতীয়া ভাইভনী সকলোটীয়েই এই বুদ্ধই কোৱার দরে ঈশ্বরত মতি রাখি বদ নিশা এবি নীতির পথত চলি একতাক মুলমন্ত্র রূপে ধরি সকলোকে পৰস্পরৰ দোষ গুন উচ্ছতা নীচতা ডাঙ্গর সরু মিছাকৈ বিচারনকরি মিলা প্রিতিৰে কর্ম্মত লাগি যায় দেখিব আচবিত সেই আগর বীরর তেজ চুতীয়া সকলৰ গালৈ আহিব। আরু নিজকে চিনি নেপোৱা জুরুলা অবস্থাত পরি থকা চুতীয়া সকলর গালৈ নতুন তেজ আহিব মনলৈ নতুন বল আহিব। তেতিয়া আমার রজা ঘরেও বর্ত্তমানে নিমাশিত কিন্তু আগর রাজবংশী চুতিয়া সকলক রাজকর্ম্মৰ উচিত ভাগ দিবলৈ কুণ্ঠিত নহব আরু গুরুঘর সকলেও চুতীয়া সকলক এতিয়াতকৈ আরু আদর করিব চুতীয়া জাতিটো উন্নত হব। তার লগে লগে আমার জুনম মাতৃও এফেরা টনকীয়াল হব। ইতি।

ওঁ শান্তি। শান্তি॥ শান্তিরেব, শান্তি।

জাননী।

আমাৰ যতুমণি প্ৰেছত ইংৰা-বঙ্গলা, কিতাপ, লেবেল আদি কৰি যাবতীয় কাম যাক যি লাগে সকলো বোৰ দৰতে সোনকালে নিজে প্ৰুফ চাই ছাপা কৰি হয়। যাৰ যি ছপাবলগীয়া আছে কৃপা কৰি [illegible] হেই আমালৈ পঠাওক।

শ্ৰীতীৰ্থনাথ গোস্বামী যতুমণি প্ৰেছ

ধলৰসত্ৰ পোঃ আঃ

ধলৰসত্ৰ যতুমণী প্ৰেছত
শ্ৰীনৰনাথ গোস্বামীৰ দ্বাৰা ছপা কৰা হল।